www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

**বৰাক উন্নয়ন বিভাগ গঠনৰ কেবিনেট সিদ্ধান্ত**

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** বিজেপিৰ চাৰি বিধায়কে মন্ত্ৰী হিচাপে শপত লোৱাৰ কেইটামান ২ পৃষ্ঠাত চাওক

SUNDAY, DECEMBER 8, 2024 ■ দেওবাৰ, ২২ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩৩৫ Guwahati, Assam ।। মূল্যঃ এটকা

## তৰুণ প্ৰজন্মই যাদৃচ্ছিক আচৰণ ত্যাজিব লাগিব!



ন-শৰ্কৰী ■ ডঃ দয়ানন্দ শ্বাহ

**যুৱসমাজ-** তেওঁলোক কেৱল দেশৰ ভৱিষ্যত নহয়, তেওঁলোক হৈছে বৰ্তমানৰ চালিকা শক্তিও। মহাবাহুৰ লহৰে সভ্যতাৰ কাহিনী ৰচা অসমৰ পৱিত্ৰ ভূমিত আজি মূৰ দাঙি থিয় দিছে শেষাংশ ২ পৃষ্ঠাত

## এলাগী ধ্ৰুপদী অসমীয়া! হিন্দীত শপত মন্ত্ৰী কৌশিকৰ

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** ভাৰত চৰকাৰে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্য্যদা দিয়াত গদগদ হৈ কেন্দ্ৰীয় চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শলাগ শেষাংশ ৫ পৃষ্ঠাত

## ছৈখোৱাত 'বাবু পূজা'

**ই-সংবাদ, ডুমডুমা, ৭ ডিচেম্বৰঃ** অসমৰ পূব-প্ৰান্তৰ তিনিচুকীয়া জিলাৰ ছৈখোৱাঘাট (ধলা)ৰ বৰলুইতৰ পাৰত অৱস্থিত ঐতিহাসিক কেঁচাখাইটি শালত বছৰৰ প্ৰতিটো বিহুৰ শেষাংশ ৫ পৃষ্ঠাত

## ৪ মন্ত্ৰীৰ শপত, সঞ্জয়কো সংস্থাপন

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি দিনৰ ১ বজাত মন্ত্ৰীৰূপে শপত লয় লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়,



ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, পাথাৰকান্দিৰ বিধায়ক শেষাংশ ৪ পৃষ্ঠাত

## বিজেপিক ভোট নাই দিয়া বুলি কোৱা গাঁৱৰ পৰা কেনেকৈ ভোট পালে বুলি প্ৰশ্ন

# ইভিএম হেকিং! মহাৰাষ্ট্ৰত শপত গ্ৰহণ বৰ্জন বিৰোধী এমভিএ বিধায়কৰ




মুম্বাই, ৭ ডিচেম্বৰঃ **শপত গ্ৰহণৰ সময়তে মহাৰাষ্ট্ৰ বিধানসভাৰ নিৰ্বাচনত ইভিএম হেকিঙৰ অভিযোগেৰে সৰৱ হৈ পৰিল নৱ নিৰ্বাচিত বিৰোধী বিধায়কসকল। শনিবাৰে অনুষ্ঠিত শপত গ্ৰহণৰ সময়ত মহা বিকাশ আঘাড়ীৰ নৱ-নিৰ্বাচিত বিধায়কসকলে ইভিএমত হেতালি খেলি শাসকীয় ৩ দলৰ মহাযুটি** শেষাংশ ৩ পৃষ্ঠাত

## ক্লীণশ্বিট! অজিত পাৱাৰক ঘূৰাই দিলে এহেজাৰ কোটি



**মুম্বাই, ৭ ডিচেম্বৰঃ** বিজেপিত যোগ দিয়াৰ বহুদিনেই পাৰ হ'ল। তাৰ পিছত মহাৰাষ্ট্ৰৰ বিধানসভা নিৰ্বাচনৰ পিছত তেওঁ উপ-মুখ্যমন্ত্ৰী ৪ পৃষ্ঠাত চাওক

## চৰ্ত মানিলেই কংগ্ৰেছৰে আকৌ হ'ব মিত্ৰতা! লিলিত সিদ্ধান্ত

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** গুৱাহাটী মহানগৰীৰ লিলি হোটেলৰ কথা চৰ্চা হ'লেই অসমৰ বিৰোধী ৰাজনীতিৰ কথা চৰ্চা হয়। লিলি হোটলতে শেষাংশ ৬ পৃষ্ঠাত




## তোমাৰ নাম কি? ঠিকনা? নামো ক'লে, চিঠিও ছপালে, কিন্তু!

**ইণ্টাৰনেট ফিচাৰ্ছ, ৭ ডিচেম্বৰঃ** তোমাৰ নাম কি? এনেকৈয়ে আৰম্ভ হৈছিল ডিজিটেল বাৰ্তালাপ। নাম বিনিময় পৰ্বৰ পিছত ঠিকনা আৰু ঠিকনাৰ আদান-প্ৰদানৰ পিছত আৰম্ভ হৈছিল বহু কিবাকিবি। এনেকৈয়ে আৰম্ভ হৈছিল এটা সম্পৰ্কৰ। ছ'চিয়েল মিডিয়াযোগে চিনাকি হৈ শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তৰুণ প্ৰজন্মই যাদৃচ্ছিক আচৰণ ত্যাজিব

এটা নতুন প্ৰজন্মই। কেৱল নিজৰ বাবে সপোন দেখাই নহয়, আজিৰ প্ৰজন্মই সমাজৰ বাবে কিবা এটা বিশেষ কৰাৰো হেঁপাহ অনুভৱ কৰে। কিন্তু তেওঁলোকৰ এই হেঁপাহ সদায় সঠিক দিশত নিৰ্দেশিত হৈ আছেনে?

অসমৰ যুৱপ্ৰজন্ম এতিয়া এক গুৰুত্বপূৰ্ণ সন্ধিক্ষণত। য'ত তেওঁলোকৰ মানসিকতা আধুনিকতা আৰু পৰম্পৰাৰ সমন্বয়ৰ দ্বাৰা গঢ় লৈ উঠিছে। প্ৰযুক্তিবিদ্যা আৰু সামাজিক সংযোগৰ প্ৰসাৰৰ লগে লগে আজিৰ প্ৰজন্মই কেৱল ব্যক্তিগত সফলতাত সীমাবদ্ধ হৈ থকাই নহয়, সমাজ পৰিৱৰ্তনৰ কথাও চিন্তা কৰিছে।

কিন্তু পৰিৱৰ্তনৰ এই যাত্ৰা সহজ নহয়। অসমৰ শেহতীয়া পৰিস্থিতি, জনগোষ্ঠীয় সমস্যা, আৰু অৰ্থনৈতিক প্ৰত্যাহ্বান- সকলো কথাই বাধাৰ সৃষ্টি কৰিছে তেওঁলোকৰ বাটত।

২০২৩ চনৰ চৰকাৰী তথ্য অনুসৰি অসমত যুৱ নিবনুৱাৰ হাৰ প্ৰায় ৪.৭ শতাংশ। এয়া এক কেৱল পৰিসংখ্যা নহয়, এয়া হৈছে ভগ্ন স্বপ্নৰ টুকুৰা কঢ়িয়াই ফুৰা আজিৰ প্ৰজন্মৰ বুকুৰ বেদনা। এই পৰিস্থিতিতে বহু যুৱক-যুৱতীয়ে হতাশাৰ বলি হৈ জীৱনৰ মোহ এৰি পেলায়। কিন্তু ইয়াৰ বিপৰীতে আন বহুতে এক নতুন বাটৰ সন্ধানত নামি পৰে। আজি অসমত ষ্টাৰ্টআপ সংস্কৃতি বাঢ়িছে। প্ৰযুক্তি আৰু উদ্ভাৱনী চিন্তাৰ জৰিয়তে যুৱক-যুৱতীসকলে নিজৰ বাবে নতুন সুযোগ সৃষ্টি কৰাৰ লগতে আনৰ বাবেও কৰ্মসংস্থাপনৰ দিশ দেখুৱাইছে।

কিন্তু কেৱল অৰ্থনৈতিক সমস্যাই নহয়, মানসিক স্বাস্থ্য, ড্ৰাগছ আসক্তিৰ দৰে সমস্যাৰ সৈতেও যুঁজি আছে অসমৰ যুৱক-যুৱতীসকল। মাদক দ্ৰব্য নিয়ন্ত্ৰণ সঞ্চালকালয়ৰ তথ্য অনুসৰি বৰ্তমান দেশত ড্ৰাগছ আসক্তৰ সংখ্যা ৭০ লাখতকৈ অধিক, য'ত প্ৰায় ৮০ শতাংশই কিশোৰ আৰু যুৱক-যুৱতী।

এই প্ৰেক্ষাপটত কিছুমান যুৱ সংগঠনে মানসিক স্বাস্থ্য সজাগতা আৰু পুনৰ্বাসন কাৰ্যসূচী আৰম্ভ কৰিছে। তেওঁলোকে পুনৰ্বাসন কেন্দ্ৰ খুলিছে, সজাগতা বাৰ্তা বিয়পাইছে, মানসিক স্বাস্থ্যৰ বিষয়ে মুকলি আলোচনা আৰম্ভ কৰিছে। এই সকলোবোৰ প্ৰত্যাহ্বানৰ মাজতো অসমৰ যুৱক-যুৱতীসকল আশাৰ ৰেঙণি হৈ পৰিছে। শেহতীয়া বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ যেনে বান পৰিস্থিতিৰ পৰা আৰম্ভ কৰি জাতিগত সংঘাতলৈকে প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকে যি মমতা আৰু সংহতি দেখুৱাইছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয়। তেওঁলোকে কেৱল ছ'চিয়েল মিডিয়াৰ জৰিয়তে সজাগতা বিয়পাই দিয়াই নহয়, সহায় আৰু সাহায্যৰ কামৰ সৈতেও প্ৰত্যক্ষভাৱে জড়িত হৈ পৰে।

অসমৰ যুৱক-যুৱতীসকলৰ এই দায়িত্ব, তেওঁলোকৰ আত্মবিশ্বাসে এক নতুন ইতিহাসৰ জন্ম দিছে। প্ৰয়োজন মাথোঁ সঠিক পথ প্ৰদৰ্শন আৰু সমৰ্থনৰ। চৰকাৰ, সমাজ আৰু অভিভাৱকৰ সমন্বিত প্ৰচেষ্টাৰে আজিৰ প্ৰজন্মই অসমৰ ভৱিষ্যত উজ্জ্বল কৰি তুলিব পাৰে, তাত কোনো সন্দেহ নাই।

কিন্তু এইখিনিতে আজিৰ প্ৰজন্ম আৰু সামাজিক মাধ্যমৰ প্ৰভাৱৰ বিষয়ে নকৈ নোৱাৰি। আজিৰ যুগত ছ'চিয়েল মিডিয়া নৱপ্ৰজন্মৰ জীৱনৰ অংগ হৈ পৰিছে। ইনষ্টাগ্ৰাম, ফেচবুক, টুইটাৰ, ইউটিউব আদি প্লেটফৰ্মত সকলোৱে ইজনে সিজনৰ লগত সংযুক্ত হৈ আছে।

বহু ক্ষেত্ৰত এই সংযুক্ততা ভাল, কিন্তু তাৰ লগে লগে আহিছে এটা নতুন সমস্যাওঃ ছ'চিয়েল মিডিয়াৰ অতিমাত্ৰা ব্যৱহাৰৰ ক্ষতিকাৰক প্ৰভাৱ। কেৱল মানসিকভাৱেই নহয় শাৰীৰিকভাৱেও ইয়াৰ প্ৰভাৱ পৰিছে যুৱক-যুৱতীসকলৰ ওপৰত।

শেহতীয়াকৈ 'ব্ৰেইন ৰট' শব্দটোৰ বিষয়ে বহু চৰ্চা চলিছে। মূলতঃ ছ'চিয়েল মিডিয়াত বেছি সময় কটোৱাৰ ফলত মগজুৰ ওপৰত পৰা অযথা মানসিক চাপ আৰু বিড়ম্বনাক বুজাবলৈ এই শব্দৰ ব্যৱহাৰ কৰা হয়। মন কৰিবলগীয়া কথাটো হ'ল- ২০২৩ চনৰ পৰা ২০২৪ চনলৈ এই শব্দটোৰ ব্যৱহাৰ ২৩০% বৃদ্ধি পাইছে, যাৰ দ্বাৰা বুজা যায় যে এই ধৰণৰ সমস্যা এতিয়া অধিক ব্যাপক হৈ পৰিছে।

অক্সফৰ্ড বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞান বিশেষজ্ঞ তথা অধ্যাপক এণ্ড্ৰু প্ৰিবিলস্কিয়ে কয় যে এই শব্দটোৰজনপ্ৰিয়তাই আমাৰ সময়ৰ লগত প্ৰাসংগিক এক বাস্তৱতাক প্ৰতিফলিত কৰে। ই মূলতঃ আমাৰ সমাজৰ দ্ৰুত গতি আৰু অস্থিৰতাক প্ৰতিফলিত কৰে। ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে এক প্ৰকাৰৰ 'উদাসীন' পৰিস্থিতিৰ সৃষ্টি কৰে, য'ত মানুহে কোনো নিৰ্দিষ্ট উদ্দেশ্য নোহোৱাকৈ কেৱল যাদৃচ্ছিক, অসাৰ তথ্যত নিজকে বিলীন কৰি দিয়ে। ফলত যুৱক-যুৱতীসকল বাস্তৱ জীৱনৰ পৰা বিচ্ছিন্ন হৈ পৰে আৰু মগজুত এক প্ৰকাৰৰ 'পচন' বা ক্ষয়ৰ সৃষ্টি হয়। ছ'চিয়েল মিডিয়াত ভুৱা, অবাঞ্চিত বা ক্ষতিকাৰক বিষয়বস্তুৰ প্ৰভাৱে যুৱক-যুৱতীসকলক ক্ৰমান্বয়ে দুৰ্বল কৰি তুলিছে, যাৰ ফলত তেওঁলোকৰ মনোযোগ, চিন্তা আৰু পৰৱৰ্তী সিদ্ধান্ত লোৱাৰ ক্ষমতা হ্ৰাস পাইছে।

বিশ্ববিদ্যালয় আৰু গৱেষণাৰ পৰা দেখা গৈছে যে ছ'চিয়েল মিডিয়া ব্যৱহাৰ কৰি বেছি সময় কটোৱা যুৱক-যুৱতীসকলে শাৰীৰিক আৰু মানসিক অৱসাদ অধিক অনুভৱ কৰে।

একাধিক গৱেষণাৰ পৰা দেখা গৈছে যে ছ'চিয়েল মিডিয়া আৰু গেমিঙৰ অত্যধিক ব্যৱহাৰে যুৱক-যুৱতীসকলৰ মাজত হতাশা, উদ্বেগ আৰু আত্মবিশ্বাসৰ অভাৱ বৃদ্ধি কৰিছে। ইয়াৰ বাহিৰেও 'FOMO' (Fear of Missing Out) নামৰ মানসিক সমস্যা এটাই যুৱক-যুৱতীসকলৰ মাজত এক প্ৰকাৰৰ অস্থিৰতাৰ সৃষ্টি কৰিছে।

তদুপৰি শেহতীয়া গৱেষণাৰ পৰা দেখা গৈছে যে ছ'চিয়েল মিডিয়াৰ ব্যৱহাৰে যুৱক-যুৱতীসকলৰ মাজত কেৱল সামাজিক বিচ্ছিন্নতা সৃষ্টি কৰাই নহয়, তেওঁলোকৰ শাৰীৰিক স্বাস্থ্যতো প্ৰভাৱ পেলাইছে।

দীৰ্ঘ সময় পৰ্দাৰ সন্মুখত বহি থাকিলে চকুৰ সমস্যা, শাৰীৰিক অস্বস্তি, টোপনিৰ সমস্যা আৰু শাৰীৰিক ক্লান্তি বৃদ্ধি পায়। এই সকলোবোৰ কাৰণে তেওঁলোকৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে।

সময়ৰ লগে লগে ইয়াৰ প্ৰভাৱ অধিক ব্যাপক হৈ পৰাত এতিয়া এক ভয়ংকৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে নতুন প্ৰজন্মৰ ভৱিষ্যত। এই ক্ষেত্ৰত যুৱ প্ৰজন্মৰ বাবে উপযুক্ত সজাগতা আৰু শিক্ষাৰ জৰিয়তে এক সুস্থ ডিজিটেল জীৱনশৈলী গঢ়ি তোলাটো অতি প্ৰয়োজনীয়। ছ'চিয়েল মিডিয়া আৰু প্ৰযুক্তিৰ ব্যৱহাৰৰ সৈতেও যুৱক-যুৱতীসকলৰ মাজত সঠিক মানসিকতা আৰু সামাজিক দায়বদ্ধতা সৃষ্টিৰ বাবে ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিলেহে আমাৰ যুৱ প্ৰজন্ম দিকভ্ৰান্ত হোৱাৰ পৰা ৰক্ষা পৰিব বুলি আশা কৰিব পাৰি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৰাক উন্নয়ন বিভাগ গঠনৰ কেবিনেট

ঘণ্টাৰ পিছতে কইনাধৰাৰ অতিথিশালাত আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত কেবিনেট বৈঠক অনুষ্ঠিত হয়। এই কেবিনেটত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। কেবিনেটে বৰাক উন্নয়ন বিভাগ গঠনৰ সিদ্ধান্ত লৈছে। কেবিনেট বৈঠকৰ অন্তত মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সংবাদমেল সম্বোধন কৰি সিদ্ধান্তসমূহ ৰাজহুৱা কৰে। বৰাকৰ উন্নয়ন ব্যৱস্থা টনকিয়াল কৰিবলৈ বৰাক উন্নয়ন বিভাগ গঠন আৰু শিলচৰ আৰু গুৱাহাটীত কাৰ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লয় চৰকাৰে। ৰাজ্যত ইথানল প্ৰস্তুত কৰা তিনিটা উদ্যোগক ৰাজসাহায্য প্ৰদানৰ সিদ্ধান্ত লৈছে কেবিনেটে। শস্য আধাৰিত ইথানল প্ৰস্তুতকাৰী সংস্থাক ইথানৰ প্ৰতি লিটাৰত ২ টকাকৈ উৎপাদন সংযোজিত সাহায্য প্ৰদানৰ অনুমোদন জনাইছে। আনহাতে আজিৰ কেবিনেটে কাৰাগাৰত অনাকাংক্ষিতভাৱে মৃত্যু হোৱা লোকৰ পৰিয়ালক সাহায্য প্ৰদানৰ সিদ্ধান্ত লয়। কাৰাগাৰত কয়দীৰ মাজতে সংঘৰ্ষ লাগি কয়দীৰ মৃত্যুত পৰিয়ালক ২ লাখ টকা, কৰ্তৃপক্ষৰ হাৰাশাস্তিৰ ফলত মৃত্যুত ৩ লাখ টকা, কৰ্তৃপক্ষ আৰু স্বাস্থ্যকৰ্মীৰ গাফিলতিত মৃত্যুত ৪ লাখ টকা আৰু কয়দীয়ে আত্মহত্যা কৰিলে পৰিয়ালক ৩ লাখ টকা দিয়াৰ সিদ্ধান্ত লয় কেবিনেটে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# তোমাৰ নাম কি? ঠিকনা? নামো ক'লে,

প্ৰেমৰ সম্পৰ্ক চলিছিল তিনি বছৰ। তাৰ পিছত প্ৰায় এমাহ পূৰ্বে সামাজিক মাধ্যমৰ জৰিয়তেই ল'ৰা-ছোৱালী দুয়োজনৰ পৰিয়ালে আলোচনা কৰিছিল বিয়াৰ কথা। কিন্তু বিবাহৰ নিৰ্দিষ্ট দিনটোতে প্ৰতাৰিত হ'বলগীয়া হ'ল দৰা। পঞ্জাৱৰ জলন্ধৰৰ মন্দিয়ালি গাঁৱৰ দীপক কুমাৰ নামৰ এজন যুৱকৰ সৈতে সংঘটিত এই ঘটনাই শেহতীয়াকৈ ব্যাপক চৰ্চা লাভ কৰাৰ সমান্তৰালভাৱে ছ'চিয়েল মিডিয়াত গঢ় লৈ উঠা সম্পৰ্কক লৈয়ো এক ডাঙৰ প্ৰশ্নবোধক চিহ্ন উত্থাপন কৰিছে। জানিব পৰা মতে, ডুবাইত শ্ৰমিক হিচাপে কাম কৰা দীপকে তিনিবছৰ পূৰ্বে ইনষ্টাগ্ৰামত পঞ্জাৱৰ মোগাৰ মনপ্ৰীত কৌৰক লগ পাইছিল। এই দীঘলীয়া সময়ছোৱাত দুয়োজনে কেতিয়াও ব্যক্তিগতভাৱে লগ পোৱা নাছিল যদিও দুয়োৱে মাজত লাহে লাহে গঢ় লৈ উঠিছিল প্ৰেমৰ সম্পৰ্ক। শেহতীয়াকৈ তেওঁলোকৰ পৰিয়াল দুটাই ছ'চিয়েল মিডিয়া আৰু ফোনযোগেই আলোচনা কৰি ঠিক কৰিছিল দুয়োৰে বিয়া। অন্যহাতে বিয়াৰ বাবে ডুবাইৰ পৰা ঘৰলৈ উভতি অহাৰ পিছত দীপকে এমাহ ধৰি বিয়াৰ প্ৰস্তুতি চলাই নিৰ্দিষ্ট দিনটোত প্ৰায় ১৫০ জন বৰযাত্ৰীক লৈ উপস্থিত হয় মোগাত। কিন্তু মোগা পাই দৰা আৰু তেওঁৰ সহযোগীসকলে জানিব পাৰে যে বিয়াৰ কাৰ্ডত কইনাপক্ষই উল্লেখ কৰাৰ ধৰণে তাত 'ৰোজ গাৰ্ডেন পেলেচ' নামৰ কোনো স্থানৰ অস্তিত্বই নাই। এই সময়ছোৱাত কইনাৰ পৰিয়ালৰ কোনো এজনৰ লগতো যোগাযোগ কৰাত ব্যৰ্থ হয় দীপক। বহু সময় অপেক্ষাৰ অন্তত দীপক আৰু তেওঁৰ পৰিয়ালে বুজি পায় যে তেওঁলোকক প্ৰতাৰণা কৰা হৈছে। ইয়াৰ পিছতে দীপক আৰু তেওঁৰ পৰিয়ালে থানাত এজাহাৰ দাখিল কৰে। দীপকৰ পিতৃ প্ৰেম চান্দে কয় যে বিয়াৰ খৰচৰ বাবে ইতিমধ্যে ৫০ হাজাৰ টকা কইনাৰ পৰিয়াললৈ প্ৰেৰণ কৰা হৈছে। ইয়াৰ উপৰিও গাড়ী ভাড়া, কেটাৰিং আৰু অন্যান্য ক্ষেত্ৰতো যথেষ্ট ধন খৰচ হয়। কিন্তু নিৰ্দিষ্ট দিনটোত কইনাৰ পৰিয়ালৰ কোনো লোককে পোৱা নগ'ল আৰু স্থানীয় ৰাইজক সোধাৰ পাছত কাৰ্ডত উল্লেখ কৰা বিবাহ ঘৰৰ অস্তিত্ব নাই বুলি তেওঁলোকে জানিব পাৰে। মোগাৰ সহকাৰী উপ-পৰিদৰ্শক হৰজিন্দৰ সিঙে জনোৱা মতে, মনপ্ৰীত আৰু তেওঁৰ সকলো পৰিয়ালৰ ফোন চুইচ অফ হৈ আছে। দৰাৰ অভিযোগৰ ভিত্তিত তদন্ত আৰম্ভ কৰা হৈছে আৰু আৰক্ষীয়ে কইনা আৰু তেওঁৰ পৰিয়ালৰ সন্ধানত অভিযান অব্যাহত ৰাখিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইভিএম হেকিং! মহাৰাষ্ট্ৰত শপত গ্ৰহণ

মিত্ৰজোঁটে জয়লাভ কৰাৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰে। এই প্ৰতিবাদ অনুযায়ী বিৰোধী বিধায়কসকলে আজি শপত গ্ৰহণ কাৰ্যসূচী বৰ্জন কৰাৰ লগতে শপত গ্ৰহণ কৰিবলৈকো অস্বীকাৰ কৰে। অৱশ্যে বিৰোধী নেতাৰ আহ্বানক আওকাণ কৰি সমাজবাদী পাৰ্টিৰ ৰাজ্যিক সভাপতি আবু আছিম আজমী আৰু দলৰ নেতা ৰয়ছ শ্বেখে শপত গ্ৰহণত অংশ লয়। উল্লেখ্য যে, নৱনিৰ্বাচিত ২৮৮ জনীয়া মহাৰাষ্ট্ৰ বিধানসভাৰ আজিৰে পৰা আৰম্ভ হোৱা তিনিদিনীয়া বিশেষ অধিৱেশনৰ প্ৰথম দিনটোতে সৃষ্টি হৈছে এই উত্তপ্ত পৰিস্থিতিৰ। প্ৰ'টেম অধ্যক্ষ কালিদাস কালুম্বকাৰৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা এই অধিৱেশনত বিধায়কৰ শপতগ্ৰহণ, অধ্যক্ষ নিৰ্বাচন, নতুন চৰকাৰৰ আস্থা ভোট আৰু ৰাজ্যপালৰ অভিভাষণ আদি অনুষ্ঠিত হ'ব। শুকুৰবাৰে মহাৰাষ্ট্ৰৰ ৰাজ্যপাল চি পি ৰাধাকৃষ্ণনে কালুম্বকাৰক বিধানসভাৰ প্ৰ'টেম অধ্যক্ষ হিচাপে নিযুক্তি দিয়ে। ইফালে অধিৱেশনৰ প্ৰথম দিনটোতে মহাৰাষ্ট্ৰ বিধানসভা ভৱনৰ ছত্ৰপতি শিৱাজী মহাৰাজৰ প্ৰতিমূৰ্তিৰ সন্মুখত সমবেত হৈ নিজৰ স্থিতি স্পষ্ট কৰে এমভিএৰ নেতাসকলে। শিৱসেনাৰ উদ্ধৱ গোটৰ নেতা আদিত্য থাকৰেই কয়, "আজি আমি শপতগ্ৰহণ বৰ্জন কৰিছো। কাৰণ গণতন্ত্ৰক ইভিএমৰ দ্বাৰা হত্যা কৰা হৈছে। মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ৰাইজৰ আদেশ নহয়, এয়া সুকৌশলী ইভিএম ব্যৱস্থাপনা আৰু নিৰ্বাচন আয়োগৰ আদেশহে।" কংগ্ৰেছৰ নানা পাটোলে, এনচিপিৰ জিতেন্দ্ৰ আৱাহাদকে ধৰি আন আন শীৰ্ষ বিৰোধী নেতাসকলে শাসকীয় মিত্ৰজোঁটৰ 'অগণতান্ত্ৰিক মনোভাৱ'ক লৈ উদ্বেগ প্ৰকাশ কৰি আগন্তুক নিৰ্বাচনত ইভিএমৰ সলনি বেলট পেপাৰ ব্যৱহাৰ কৰাৰ দাবী পুনৰবাৰ সজোৰে প্ৰকাশ কৰে। কংগ্ৰেছৰ বিধায়ক বিজয় ৱাদেত্তিৱাৰে কয়, "ফলাফলক লৈ প্ৰশ্ন উত্থাপন হৈছে, সমগ্ৰ প্ৰক্ৰিয়াটো সন্দেহজনক যেন লাগিছে। জনতা সন্তুষ্ট নহয়, কিবা এটা ভুল হৈছে।" প্ৰণিধানযোগ্য যে, সদ্যঘোষিত নিৰ্বাচনৰ ফলাফলত বিজেপি, শিৱসেনা (একনাথ সিন্ধে ফৈদ) আৰু অজিত পাৱাৰৰ এনচিপি ফৈদকে ধৰি মহাযুটি মিত্ৰজোঁটে ২৮৮খন আসনৰ ভিতৰত ২৩১খন আসন লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছতে ৫ ডিচেম্বৰত দেৱেন্দ্ৰ ফড়নবিছে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ বিপৰীতে একনাথ সিন্ধে আৰু অজিত পাৱাৰে উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। অজিত পাৱাৰে বিৰোধীৰ অভিযোগ খাৰিজ কৰি কয় যে, "এনে অভিযোগ উত্থাপন কৰাটো অৰ্থহীন। বিৰোধীয়ে নিৰ্বাচন আয়োগৰ ওচৰলৈ যাব লাগে, আৰু যদি তাত ন্যায় নাপায়, তেন্তে আদালতৰ কাষ চাপক।" অন্যহাতে মহাযুটিৰ মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ বাছনিক লৈ এসপ্তাহৰো অধিক সময় অপেক্ষা কৰিবলগীয়া হোৱা কাৰ্য্য "মহাৰাষ্ট্ৰৰ অপমান" বুলি অভিহিত কৰে প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰেই। তেওঁ দাবী কৰে যে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ এসপ্তাহতকৈও অধিক সময়ৰ পাছতহে মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীগৰাকীক নিৰ্বাচিত কৰাটো গণতান্ত্ৰিক নীতিৰ পৰিপন্থী। লগতে উদ্ধৱ থাকৰেই মুখ্যমন্ত্ৰী পদৰ প্ৰাৰ্থীৰ সিদ্ধান্ত লোৱাৰ পূৰ্বে শপত গ্ৰহণৰ দিন ঘোষণা কৰা কাৰ্য্যকো তীব্ৰ সমালোচনা কৰে আৰু এয়া "অৰাজকতা" বুলি অভিহিত কৰে। থাকৰেই ক্ষোভেৰে কয়, "বিজেপি আৰু সেই দলটোৰ সহযোগীসকলে সকলোবোৰ নিয়ম কেৱল বিৰোধীৰ ওপৰতহে প্ৰযোজ্য কৰিব খোজে।" উল্লেখ্য যে, বিৰোধী মহাবিকাশ অঘাড়ীয়ে বুধবাৰে অনুষ্ঠিত মুখ্যমন্ত্ৰী আৰু দুই উপ-মুখ্যমন্ত্ৰীৰ শপত গ্ৰহণ অনুষ্ঠানো বৰ্জন কৰিছিল। মহাবিকাশ অঘাড়ীয়ে ছোলাপুৰৰ মাৰকাৱাড়ি গাঁৱৰ ৰাইজে পুনৰ বেলট পেপাৰৰ জৰিয়তে ভোটগ্ৰহণৰ ব্যৱস্থা কৰিবলৈ দাবী জনোৱা প্ৰসংগও উত্থাপন কৰে। গাঁৱখনৰ ৯০ শতাংশ লোকেই নিৰ্বাচনত বিৰোধী এমভিএক সমৰ্থন জনাইছিল যদিও নিৰ্বাচন আয়োগৰ তথ্যমতে গাঁওখনৰ পৰা বিজেপিৰ প্ৰাৰ্থীয়েহে সৰ্বাধিক ভোট লাভ কৰিছিল। ইয়াতে ক্ষুন্ন হৈ গাঁওবাসীয়ে প্ৰতিবাদ আৰম্ভ কৰাত প্ৰশাসনে সান্ধ্য আইন পৰ্যন্ত জাৰি কৰিছিল। এনে পৰিপ্ৰেক্ষিততে উক্ত গাঁওখনৰ প্ৰসংগক উদাহৰণ হিচাপে লৈ বিৰোধী এমভিএই সদ্যসমাপ্ত নিৰ্বাচনত বিসংগতিৰ অভিযোগ উত্থাপনৰ লগতে শপত গ্ৰহণ অনুষ্ঠানো বৰ্জন কৰে।

# চাবুৱাৰ পোনাকণ বৰুৱালৈ দেশৰ সৰ্বশ্ৰেষ্ঠ বিধায়কৰ সন্মান

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ৭ ডিচেম্বৰঃ** দেশৰ সৰ্বশ্ৰেষ্ঠ বিধায়ক হিচাপে স্বীকৃত হৈছে অগপৰ চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱা। দিল্লীৰ হিন্দী নিউজ প্ৰভা সাক্ষী নামৰ সংস্থাই দিল্লীৰ কনষ্টিটিউচন ক্লাবত অনুষ্ঠিত এক অনুষ্ঠানত চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাক এই স্বীকৃতি প্ৰদান কৰে। উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশ, আইএএছ বিষয়া, ধৰ্মীয় নেতা, কৃষক নেতাকে ধৰি বিশিষ্ট ব্যক্তিৰ উপস্থিতিত স্বীকৃতি গ্ৰহণ কৰে চাবুৱাৰ বিধায়গৰাকীয়ে। সৰ্বশ্ৰেষ্ঠ বিধায়কৰ সন্মান প্ৰাপ্ত চাবুৱাৰ বিধায়ক পোনাকণ বৰুৱাই এই স্বীকৃতি লাভ কৰাত বিভিন্ন দল-সংগঠন, চাবুৱাবাসীয়ে শুভেচ্ছা জ্ঞাপন কৰিছে। ভাৰতৰ শ্ৰেষ্ঠ বিধায়ক হিচাপে স্বীকৃতি দিয়াৰ বাবে গৌৰৱান্বিত খোদ বিধায়কজন। ছাত্ৰ অৱস্থাৰ পৰা সদৌ অসম ছাত্ৰ সন্থাৰ সৈতে জড়িত বৰুৱাই ২০২১ চনত অগপৰ টিকটত নিৰ্বাচন খেলি জয়ী হৈছিল। আঞ্চলিক ৰাজনীতিক প্ৰাধান্য দিয়া বিধায়কেজনে কেতিয়াও কোনো, জাতি, ধৰ্ম, বৰ্ণৰ বিৰুদ্ধে কথা নকয়। বিৰোধীক সমালোচনা কৰিলেও মাৰ্জিত ভাষাৰে সমালোচনা কৰা দেখা যায়। সমাজৰ সকলো পক্ষক লৈ কাম কৰি যোৱা বিধায়ক হিচাপে পৰিচিত বিধায়ক পোনাকণ বৰুৱা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ক্লীণশ্বিট! অজিত পাৱাৰক ঘূৰাই

হিচাপে শপত গ্ৰহণ কৰে। এন চি পিৰ নেতা অজিত পাৱাৰে অৱশেষত লাভ কৰিছে বিজেপিত যোগ দিয়াৰ আচল পুৰস্কাৰ। যি বিজেপিয়ে তেওঁৰ বেনামী সম্পত্তিক লৈ মুখৰ হৈ আছিল সেই দলত যোগ দিয়াৰ পিছতেই সাতখুন মাফ হৈ পৰিছে। ইমানেই নহয়, এনচিপি নেতাজনে পুনৰ ঘূৰাই পাইছে হাজাৰ হাজাৰ কোটিৰ বেনামী সম্পত্তি। ২০২১ চনত আয়কৰ বিভাগে পাৱাৰৰ ১০০০ কোটিৰো অধিক মূল্যৰ সম্পত্তি জব্দ কৰিছিল। দিনদিয়েক পূৰ্বে পুনৰ মহাৰাষ্ট্ৰৰ উপ-মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰা অজিত পাৱাৰ আৰু তেওঁৰ পৰিয়ালৰ বেনামীৰ মালিকীস্বত্বৰ অভিযোগ শুকুৰবাৰে আয়কৰ ন্যায়াধিকৰণে খাৰিজ কৰাৰ পিছতে এই সম্পত্তি ঘূৰাই দিয়া হয়। দেৱেন্দ্ৰ ফড়নবিছে মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাৰ এদিন পিছতে এই ৰায়দান লাভ কৰাটোৱে সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। উল্লেখ্য যে, ২০২১ চনৰ ৭ অক্টোবৰত এনচিপিৰ নেতাগৰাকী আৰু তেওঁৰ পৰিয়ালক লৈ কেইবাটাও স্থানত আয়কৰ বিভাগে তেওঁৰ বিৰুদ্ধে বেনামী সম্পত্তি থকাৰ অভিযোগত অভিযান চলাইছিল। এই গোচৰটোত কেইবাটাও সম্পত্তি সংলগ্ন কৰা হৈছিল, য'ত আছিল ছতৰাৰ এটা চেনি কাৰখানা, দিল্লীৰ এটা ফ্লেট আৰু গোৱাৰ ৰিজৰ্ট। সেই সময়ত আয়কৰ বিভাগে পাৱাৰৰ ৫০০ কোটি টকাৰ ২৭টা ভূমিৰ প্লটো জব্দ কৰিছিল। তদন্তত প্ৰকাশ পাইছে যে অজিত পাৱাৰৰ নামত কোনো সম্পত্তি পঞ্জীয়ন কৰা হোৱা নাই। পৰ্যাপ্ত প্ৰমাণৰ অভাৱত এই অভিযোগ নাকচ কৰে ন্যায়াধিকৰণে। ন্যায়াধিকৰণে কয় যে অজিত পাৱাৰ বা তেওঁৰ পৰিয়ালে বেনামী সম্পত্তি অধিগ্ৰহণৰ বাবে ধন হস্তান্তৰ কৰা বুলি কোনো প্ৰমাণ পোৱা নাই। ৰাজনীতিবিদগৰাকী আৰু তেওঁৰ পৰিয়ালৰ হৈ অধিবক্তা প্ৰশান্ত পাটিলে কয় যে অভিযোগৰ কোনো আইনী স্থিতি নাই আৰু পৰিয়ালটোৱে কোনো ভুল কৰা নাই। সম্পত্তি অধিগ্ৰহণৰ লেনদেন বেংকিং ব্যৱস্থাকে ধৰি আইনী মাধ্যমেৰে কৰা বুলি দাবী কৰি তেওঁ কয় যে ৰেকৰ্ডত অনিয়ম ধৰা পৰা নাই। ইফালে, ১০০০ কোটি ঘূৰাই পোৱাৰ পিছতে সৰব হৈছে বিৰোধী। শিৱসেনাৰ উদ্ধৱ গোটৰ নেতাই অজিত পাৱাৰে বিজেপিৰ ৱাশ্বিং মেচিনত সোমাই পৰিস্কাৰ হ'ল বুলি কটাক্ষ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৪ মন্ত্ৰীৰ শপত, সঞ্জয়কো সংস্থাপন

কৃষ্ণেন্দু পালে। আজি সম্প্ৰসাৰিত মন্ত্ৰীসভাত স্থান লাভ কৰা চাৰি বিধায়কক ৰাজ্যপাল লক্ষ্মণপ্ৰসাদ আচাৰ্যই পদ আৰু গোপনীয়তাৰ শপতবাক্য পাঠ কৰোৱায়। ড০ হিমন্ত বিশ্ব শৰ্মা, কেইবাগৰাকী মন্ত্ৰী, বিধায়কৰ উপস্থিতিত শপতগ্ৰহণ কাৰ্যসূচী অনুষ্ঠিত হয়। কলাক্ষেত্ৰত চাৰি বিধায়কৰ শপত গ্ৰহণ অনুষ্ঠানক লৈ বিজেপি দল আৰু চৰকাৰৰ মাজত উলহ-মালহ পৰিৱেশ দেখা গৈছিল। শপত গ্ৰহণ অনুষ্ঠানত হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠসকলক সক্ৰিয় দেখা যায়। চাৰি বিধায়কে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি শপত লোৱা দেখা যায়। পুৰণি বিজেপি তথা আটাইতকৈ পুৰণি বিধায়ক প্ৰশান্ত ফুকনক অধিক উৎসাহী দেখা যায়। প্ৰথমৰ পৰা অসমত বিজেপি কৰি থকা প্ৰশান্ত ফুকনক সৰ্বানন্দ সোণোৱালে মন্ত্ৰী কৰা নাছিল। হিমন্ত বিশ্ব শৰ্মাৰ কাৰ্যকালৰ প্ৰথম ৩৫টা মাহ মন্ত্ৰী কৰা নহ'ল। দীৰ্ঘদিনীয়া জল্পনা-কল্পনাৰ অন্তত শেষৰ ১৫ মাহ মন্ত্ৰী ৰূপে দায়িত্ব পালনৰ সুবিধা দিয়াত আজি শপত লয় প্ৰশান্ত ফুকনে। চাৰি বিধায়কৰ পৰিয়ালৰ লোকো শপতগ্ৰহণ অনুষ্ঠানত উপস্থিত থাকে। আজি হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰীসভা দ্বিতীয়বাৰৰ বাবে সম্প্ৰসাৰণ কৰা হয়। ২০২২ চনৰ ৯ জুনত সম্প্ৰসাৰণ কৰাত একমাত্ৰ জয়ন্তমল্ল বৰুৱাই মন্ত্ৰী হিচাপে শপত লৈছিল। দ্বিতীয়বাৰ চাৰি বিধায়কক মন্ত্ৰীসভাত স্থান দি মন্ত্ৰীসভা বিস্তাৰ কৰা হয়। ইপিনে আজিৰ শপতগ্ৰহণ অনুষ্ঠানৰ চৰ্চাৰ বিষয়টো হৈছে ভাষা। দুজন বিধায়কে অসমীয়াত আৰু এজনে হিন্দীত আৰু আন এজনে বঙালীত শপত গ্ৰহণ কৰে। অসমীয়াত শপত ল'লে প্ৰশান্ত ফুকন আৰু ৰূপেশ গোৱালাই। হিন্দীত শপত লয় কৌশিক ৰায় আৰু বাংলাত শপত লয় কৃষ্ণেন্দু পালে। অসমৰ ৰাজ্যিক ভাষা হৈছে অসমীয়া। অসমীয়া ভাষাটোক আওকান কৰি দুই বিধায়কে হিন্দী আৰু বঙালীত শপত লয়। তাতেই আকৌ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হৈছিল আজি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দৰে জাতীয় অনুষ্ঠানত। আনহাতে ৰাজ্যত আছিল দুজন হিন্দীভাষী বিধায়ক। দুয়োজনকে মন্ত্ৰীত্ব দিয়া হ'ল। এজন হৈছে অশোক সিংঘল আৰু আনজন হৈছে আজি মন্ত্ৰীৰূপে শপত লোৱা কৌশিক ৰায়। ঐতিহ্যমণ্ডিত ঢেকীয়াজুলি সমষ্টিৰ পৰা বিধায়ক হৈ অহা অশোক সিংঘল দুবাৰকৈ মন্ত্ৰী হৈছে। ২০২১ চনত প্ৰথমবাৰলৈ লক্ষীপুৰ সমষ্টিৰ পৰা বিধায়ক নিৰ্বাচিত হৈ অহা কৌশিক ৰায়ে মন্ত্ৰিত্ব লাভ কৰিছে। হিন্দীভাষীক ইমান গুৰুত্ব দিয়াৰ কাৰণ হৈছে ভোট। অসমত থকা হিন্দীভাষীৰ ভোট এতিয়া বিজেপিৰ ভোটবেংক হৈ পৰিছে। ২০২৬ চনত বিজেপিক জয়ী হ'বলৈ হ'লে হিন্দীভাষীৰ ভোটবেংক এককভাৱে বিজেপিৰ পক্ষলৈ আনিবলৈ দুয়োজনে হিন্দীভাষী বিধায়কক বিজেপিয়ে মন্ত্ৰী কৰিছে। আনহাতে, বিজেপিৰ আন এটা ভোটবেংক হৈছে হিন্দু বঙালী। হিন্দু বঙালীসকলক বিজেপিয়ে অসমত সকলোতকৈ বেছি গুৰুত্ব দি আহিছে। বৰাকৰ লগতে ব্ৰহ্মপুত্ৰৰ উপত্যকাত হিন্দু বঙালীসকলক বিজেপি দলত বিভিন্ন পদবী, চৰকাৰী ব্যৱস্থা, ডি-ভোটাৰৰ সমস্যা সমাধান, নাগৰিকত্ব আদি প্ৰদানৰ বাবে সকলো ব্যৱস্থাকে বিজেপিয়ে কৰিবলৈ প্ৰয়াস কৰি গৈছে। যাৰ ফলত হিন্দু বঙালী ভোটক বিজেপিয়ে এশ শতাংশই নিজৰ পক্ষলৈ আনিবলৈ দল আৰু চৰকাৰত গুৰুত্ব দিয়া হৈছে। দিল্লীৰ অনুমোদনৰ পিছতে মুখ্যমন্ত্ৰীয়ে দিল্লীৰ পৰাই কালি মন্ত্ৰীসভাত স্থান লাভ কৰিবলগীয়া চাৰি বিধায়কৰ নাম ঘোষণা কৰিছিল। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালা, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালক মন্ত্ৰীসভাত স্থান দিয়া হয়। মুখ্যমন্ত্ৰীয়ে ভোটৰ সমীকৰণ মিলাই এজন খিলঞ্জীয়া, এজন চাহ জনগোষ্ঠীৰ, বৰাকৰ এজন বঙালীভাষী, এজন হিন্দীভাষী বিধায়কক মন্ত্ৰীসভাত স্থান দিছে। লোকসভা নিৰ্বাচনত বৰাকৰ কৰিমগঞ্জ সমষ্টিত কানে কাণ মাৰি জয়ী হৈছে বিজেপিয়ে। আনহাতে যোৰহাট সংসদীয় সমষ্টিত পৰাজিত হৈছে। যাৰ বাবে বৰাক উপত্যকা আৰু উজনি অসমক বেছি গুৰুত্ব দিয়া হৈছে। উজনিৰ পৰা এজন খিলঞ্জীয়া বিধায়ক আৰু এজন চাহ জনগোষ্ঠীৰ বিধায়কক মন্ত্ৰীসভাত স্থান দিছে বিজেপিয়ে। উজনিৰ খিলঞ্জীয়া ভোটাৰৰ লগতে চাহ জনগোষ্ঠীৰ ভোটাৰে যোৰহাট লোকসভা সমষ্টিত কংগ্ৰেছক ভোট দিয়াৰ ফলতে কংগ্ৰেছ নেতা গৌৰৱ গগৈ জয়ী হৈছিল। গৌৰৱ গগৈক ভেটিবলৈ বিজেপিয়ে কৌশল ৰচনা কৰি চাহ জনগোষ্ঠীৰ ৰূপেশ গোৱালা আৰু খিলঞ্জীয়া প্ৰশান্ত ফুকনক মন্ত্ৰিত্ব দিয়া হৈছে। জাতি-জনগোষ্ঠীৰ সমীকৰণক অত্যাধিক গুৰুত্ব দিয়া পৰিলক্ষিত হৈছে। মন্ত্ৰীপদ ত্যাগ কৰা সঞ্জয় কিষাণৰ ঠাইত ৰূপেশ গোৱালাক মন্ত্ৰিত্ব দিয়া হৈছে। পূৰ্বতে বৰাক উপত্যকাৰ পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পালৰ নাম চৰ্চাত থকাৰ দৰেই মন্ত্ৰীসভাত স্থান দিয়া হয়। পাথাৰকান্দি সমষ্টিৰ পৰা ২০১৬ আৰু ২০২১ চনত দুবাৰকৈ বিধায়ক হৈছে কৃষ্ণেন্দু পাল। আনহাতে কৌশিক ৰায়ে ২০২১ চনত প্ৰথমবাৰলৈ লক্ষীপুৰ সমষ্টিৰ পৰা বিধায়ক হিচাপে নিৰ্বাচিত হৈয়ে মন্ত্ৰিত্ব লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে মাথো এজনক বৰাকৰ পৰা মন্ত্ৰিত্ব দিয়াৰ কথা ঘোষণা কৰিছিল যদিও দিল্লীলৈ গৈ মুখ্যমন্ত্ৰীয়ে সেই সিদ্ধান্ত সলনি কৰে। ইফালে, আজি চাৰি বিধায়কে মন্ত্ৰীৰূপে শপত লোৱাৰ পিছতে সঞ্জয় কিষাণক খাদ্য আৰু অসামৰিক যোগান নিগমৰ অধ্যক্ষৰ দায়িত্ব দিয়ে হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে। মন্ত্ৰী পদ হেৰুওৱা সঞ্জয় কিষাণক আন এক গুৰু দায়িত্ব দিয়া হয়। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকনে কাৰ্যনিৰ্বাহ কৰি থকা অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড চমুকৈ এআইডিচিৰ অধ্যক্ষ পদ উজনি অসমৰ আহোম জনগোষ্ঠীৰ নেতাক প্ৰদান কৰা হৈছে। আজি উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা উদ্যোগ বিভাগৰ সচিব ইন্দিৰা আৰ কলিতাই প্ৰকাশ কৰা নিৰ্দেশনা অনুসৰি ৰাজ্যপালে তপন কুমাৰ গগৈক এআইডিচিৰ অধ্যক্ষ পদত নিযুক্তি দিছে। একেটা নিৰ্দেশনাত প্ৰশান্ত ফুকনক দায়িত্বৰ পৰা মুক্ত কৰা হৈছে। আজিৰে পৰা কেবিনেট মৰ্য্যদাসহ অসম ঔদ্যোগিক উন্নয়ন নিগম লিমিটেড চমুকৈ এআইডিচিৰ নতুন অধ্যক্ষ হ'ব বিজেপি নেতা তপন কুমাৰ গগৈ। ৰাজ্যপালে মৰ্য্যদাসহ এই পদ বিগত লোকসভা নিৰ্বাচনত যোৰহাট সমষ্টিত পৰাজিত তপন কুমাৰ গগৈক প্ৰদান কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# এলাগী ধ্ৰুপদী অসমীয়া! হিন্দীত শপত

লৈ তৎ পোৱা নাছিল। অসমৰ চৰকাৰে সম্পূৰ্ণ এটা সপ্তাহ 'ভাষা গৌৰৱ সপ্তাহ' পালন কৰিছিল। মুখ্যমন্ত্ৰীয়ে বাৰে বাৰে অসমীয়া ভাষাৰ কথা কৈ নিজকে গৌৰৱ অনুভৱ কৰিছিল। কিন্তু সেই বিজেপি দলৰ বিধায়কে অসমীয়া ভাষাৰ আধিক্য থকা ৰাজ্যখনত হিন্দীতে মন্ত্ৰী ৰূপে শপত লৈছে। এই কথাত সহজে ল'ব পৰা নেটিজেনে। একাংশ লোকে অসমৰ বিধায়কে হিন্দীত শপত লোৱা বিষয়টোক তীব্ৰ সমালোচনা কৰিছে। কেন্দ্ৰীয় চৰকাৰে অসমীয়া ভাষাক মৰ্যাদা দিয়াৰ সময়তে অসমৰ বিজেপি বিধায়কে হিন্দীত মন্ত্ৰী ৰূপে শপত লোৱাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আজি বৰাকৰ লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়ে কলাক্ষেত্ৰত হিন্দীভাষাত শপত লয়। অসমৰ ৰাজ্যিক ভাষা হৈছে অসমীয়া। অসমীয়া ভাষাটোক আওকান কৰি হিন্দী আৰু বঙালীত দুই বিধায়কে শপত লয়। তাতেই আকৌ শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত হৈছিল শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ দৰে অসম আন্দোলনৰ ফলস্বৰূপে প্ৰতিষ্ঠিত জাতীয় অনুষ্ঠানত। ইপিনে, ৰাজ্যৰ দুজন হিন্দীভাষী বিধায়ককে মন্ত্ৰিত্ব দিয়া হ'ল। এজন হৈছে অশোক সিংঘল আৰু আনজন হৈছে আজি মন্ত্ৰীৰূপে শপত লোৱা কৌশিক ৰায়। উল্লেখ্য যে, কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক ঐতিহাসিক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়াত উৎসাহী অসম চৰকাৰে ২ নৱেম্বৰৰ পৰা ৯ নৱেম্বৰলৈ 'ভাষা গৌৰৱ সপ্তাহ' পালন কৰিছিল। আজি শপত গ্ৰহণ অনুষ্ঠান অনুষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰতে কামৰূপ মহানগৰ জিলা প্ৰশাসনে সাংসদ বিজুলী কলিতা মেধি, শিক্ষা মন্ত্ৰী ৰাণোজ পেগু আৰু কৃষি মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত ভাষা গৌৰৱ সপ্তাহৰ সপ্তাহজোৰা কাৰ্যসূচীৰ শুভাৰম্ভণি কৰিছিল। সেই সময়ত মুখ্যমন্ত্ৰী ব্যস্ত আছিল ঝাৰখণ্ডত। যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কেন্দ্ৰীয় কেবিনেটে মুঠ ৫টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰিছিল। মৰ্যাদা লাভ কৰা ভাষাৰ ভিতৰত অন্যতম ভাষা আছিল অসমীয়া। তাৰ পাছতে অসমীয়াক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াত ৰাজ্য চৰকাৰে 'ভাষা গৌৰৱ সপ্তাহ' কাৰ্যসূচী পালনৰ ঘোষণা কৰিছিল। বিদ্যালয়, মহাবিদ্যালয়, ৰাজহুৱা কাৰ্যালয় আৰু নাগৰিক সমাজ, জাতীয় সংগঠনসমূহৰ সক্ৰিয় অংশগ্ৰহণ নিশ্চিত কৰি সমৃদ্ধ ভাষাটোৰ ঐতিহ্য বৰ্তাই ৰাখিবলৈ প্ৰয়াস কৰিছিল যদিও খোদ বিজেপি দলৰ বিধায়কে হিন্দীত শপত লৈ অসমীয়া ভাষাটোৰ প্ৰতি বিজেপি কিমান সচেতন তাৰ উদাহৰণ দাঙি ধৰিলে। ইপিনে অসম প্ৰদেশ কংগ্ৰেছৰ মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাই হিন্দী ভাষাত শপত লোৱাত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বেদব্ৰত বৰাই কয় যে অসমৰ মন্ত্ৰী সভাত কৌশিক ৰায় নামৰ বিধায়কজনে শপত লৈছে হিন্দী ভাষাত। যিসময়ত বিধানসভাত অসমীয়া ভাষাক ধ্ৰুপদী ভাষালৈ উন্নীত কৰিব লাগে বুলি বিধায়কসকলে চৰ্চা কৰিছিল সেই বিধানসভাতে এজন বিধায়কে হিন্দী ভাষাত মন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰাতো অসমৰ ভাষা-সংস্কৃতি, সাহিত্যৰ বাবে এক অশনি সংকেত। ভাৰতীয় সংবিধানে স্বীকৃতি প্ৰদান কৰা সকলো ভাষাতেই শপত গ্ৰহণৰ ব্যৱস্থা আছে যদিও অসমীয়া ভাষাক শেহতীয়াকৈ ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰাৰ পিছত অসমৰ এজন বিধায়কে মাত্ৰ কেইটামান বাক্য অসমীয়াত ক'ব নোৱৰাতো অত্যন্ত লজ্জাজনক কথা। আচলতে ইচ্ছাকৃতভাৱেই অসমীয়া ভাষাক অপমান কৰিবৰ বাবেই কৌশিক ৰয়ে মন্ত্ৰী হিচাপে হিন্দী ভাষাত শপত লোৱা বুলি অভিযোগ উত্থাপিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ছৈখোৱাত 'বাবু পূজা'

লগত সংগতি ৰাখি এভাগিকৈ পূজা গোসাঁনীৰ নামত অনুষ্ঠিত হৈ অহাৰ উপৰিও চাকৰিয়ালসকলৰ সুবিধাৰ্থে ডিচেম্বৰ মাহৰ দেওবাৰৰ দিন বিশেষত এভাগি পূজা অনুষ্ঠিত হৈ আহিছে, যাক "বাবু পূজা" হিচাপে সৰ্বজনবিদিত। শালখনত বছৰটোত তিনিভাগ গাঁও পূজাকে ধৰি মুঠ চাৰিভাগ পূজা অনুষ্ঠিত হোৱাৰ উপৰিও আহাৰ মাহত অম্বুবাচীৰ অপবিত্ৰতা দূৰ কৰিবলৈ শাল পৰিচালনা সমিতিয়ে এখন পূজা অনুষ্ঠিত কৰে যদিওঁ উক্ত পূজাত শাল পৰিচালনা সমিতিৰ বাহিৰে অন্য ভক্ত উপস্থিত হোৱা পৰিলক্ষিত নহয় যদিওঁ শালৰ সৰ্ববৃহৎ "বাবু পূজা" লৈ আগদিনাৰ নিশাৰ পৰাই গাড়ী-মটৰেৰে দূৰ-দূৰণিৰ পৰা অগণন ভক্তৰ আগমনেৰে সমগ্ৰ ছৈখোৱা অঞ্চলত একপ্ৰকাৰৰ উদুলি-মুদুলি পৰিৱেশৰ সূচনা কৰে। বাবু পূজাত অসমৰ বিভিন্ন প্ৰান্তৰ লগতে কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ উপৰিও চুবুৰীয়া ৰাষ্ট্ৰ নেপালৰ পৰাও অসংখ্য ভক্তৰ ছৈখোৱা অঞ্চললৈ সোঁত বয়। কেঁচাখাইটী শাল কেইবাঠাইতো আছে যদিওঁ আটাইতকৈ প্ৰাচীন তথা প্ৰসিদ্ধ কেঁচাখাইটী শালখন শদিয়াত অৱস্থিত। বিশ্বাস অনুসৰি, শদিয়াৰ এই তাম্ৰেশ্বৰী মন্দিৰৰ অধিষ্ঠাত্ৰী দেৱী ৰূপে থকা কেঁচাখাইটী শালৰ অংশবিশেষ স্বৰূপ ছৈখোৱাৰ এই কেঁচাখাইটী শাল চুতীয়া ৰজাৰ দিনতে প্ৰতিষ্ঠা কৰা হৈছিল। কেঁচাখাইটী মন্দিৰৰ চাল খন তামৰ আছিল বুলি কোৱা হয় বাবেই ইয়াক তাম্ৰেশ্বৰী মন্দিৰ বুলিও জনা যায়। ষোল শতিকাৰ আগভাগত চুতীয়া ৰাজ্য আহোমৰ অধীনলৈ যোৱাৰ পাছত আহোম স্বৰ্গদেউসকলেও দেউৰী পূজাৰ নিৰ্দেশ আৰু পৰামৰ্শমতে পৰম্পৰাগত ভাৱে চলি অহা বিধি-বিধান, ৰীতি-নীতি মানি চলিছিল। পিছলৈ অৱশ্যে স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনত কেঁচাখাইটী শালত চলি অহা নৰবলি প্ৰথা বন্ধ কৰা হয়। আজিকালি কেঁচাখাইটী শালত ম'হ, ঘোঁৰা আদিৰ সলনি পঠা ছাগলী, আমৰুলি হাঁহ আদিহে বলি দিয়াৰ বিধান থকাৰ পৰিৱৰ্তে পাৰ মন্দিৰৰ চৌহদত উৰুৱাই দিয়া হয়। কেঁচাখাইটী শালত বছৰত তিনি বিহুত তিনি ভাগ গাঁও পূজা বুধবাৰৰ দিন বিশেষত অনুষ্ঠিত হোৱাৰ বিপৰীতে চাকৰিয়াল মানুহৰ বাবে দেওবাৰৰ দিনটোত 'বাবু পূজা' অনুষ্ঠিত হয়। কেঁচাখাইটী শালৰ মাহাত্ম্যৰ কাহিনী মানুহৰ মুখে মুখে প্ৰচাৰিত হৈ আহিছে। উল্লেখ্য যে, বানপানীয়ে সকলো ঠাই উটাই নিলেও বানপানীয়ে এই শালখনৰ কেতিয়াও ক্ষতি কৰা নাই।

# অসমত ৬ জন, ত্ৰিপুৰাত ১০ জন বাংলাদেশী নাগৰিকক আটক

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** বাংলাদেশত সংখ্যালঘু হিন্দুৰ ওপৰত আক্ৰমণ অব্যাহত থকাৰ সময়তে উত্তৰ-পূৰ্বাঞ্চলত প্ৰৱেশ কৰা বাংলাদেশী নাগৰিকৰ সংখ্যা দিনক দিনে বাঢ়িব ধৰিছে। বিগত কেইটামান ঘণ্টাৰ ভিতৰত অবৈধবাৱে প্ৰৱেশ কৰা কেইবাগৰাকী লোকক নিৰাপত্তাৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। আজি দুগৰাকী মহিলাসহ ছয় বাংলাদেশী অনুপ্ৰৱেশকাৰীক অসম আৰক্ষীয়ে ধৰি চুবুৰীয়া দেশখনৰ কৰ্তৃপক্ষক গতাই দিছে। বৰাকৰ আন্তঃৰাষ্ট্ৰীয় সীমান্তত ৬ জন বাংলাদেশী নাগৰিকৰ সন্দেহজনক গতিবিধি অনুসৰণ কৰি আটক কৰে যদিও দিদাৰুল ইছলাম, শান্ত খান, ইছমাইল হুছেইন ৰাহাত, চাকিব হুছেইন, শ্বাতি আখতাৰ আৰু মিম শ্বেখক দেশখনৰ কৰ্তৃপক্ষক গতাই দিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এক্সত এটা পোষ্ট দি এই কথা অৱগত কৰিছে। আনহাতে, ত্ৰিপুৰাৰ ধলাই জিলাৰ আম্বাচা আৰক্ষী থানা এলেকাত ধৰা পৰিছে ১০গৰাকী বাংলাদেশী নাগৰিক। প্ৰাণৰ মমতাত লোকসকলে পলায়ন কৰি আহি ভাৰতত প্ৰৱেশ কৰিছে বুলি জানিব পৰা গৈছে। বাংলাদেশৰ কিশোৰগঞ্জ জিলাৰ ধনপুৰ গাঁৱৰ অটো চালক শংকৰ সৰকাৰক সৰকাৰী ৰে'ল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। শংকৰ সৰকাৰ পত্নী, সন্তান, ভাতৃ আৰু বৃদ্ধ পিতৃ সুধীৰ চন্দ্ৰ সৰকাৰক লৈ আন্তঃৰাষ্ট্ৰীয় সীমান্ত পাৰ হোৱাত ভাৰতীয় কৰ্তৃপক্ষই আটক কৰে। অৰণ্যত ৰাতি কটোৱাৰ পিছতে সীমা অতিক্ৰম কৰি অসমৰ শিলচৰলৈ গৈ থকাৰ সময়তে ৰে'ল আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে। সাংবাদিকৰ সৈতে বাৰ্তালাপ কৰি শংকৰে কয় যে শ্বেখ হাছিনা চৰকাৰৰ পতনৰ পিছত বাংলাদেশত সংখ্যালঘুসকলৰ পৰিস্থিতি বেয়া। শ্বেখ হাছিনা চৰকাৰ দুৰ্বল হোৱাৰ পিছৰে পৰা বাংলাদেশৰ পৰিস্থিতি অসহনীয় হৈ পৰিছে। আমাৰ দৰে সংখ্যালঘুসকল এতিয়া সুৰক্ষিত নহয়। তাত পত্নী আৰু সন্তানৰ সৈতে বাস কৰাতো বহুত কঠিন। আমি নিৰন্তৰ আক্ৰমণ আৰু ভাবুকিৰ সন্মুখীন হওঁ। আনকি অভিযোগ দাখিল কৰিলেও অধিক হিংসাৰ সৃষ্টি হয়। আমি শান্তি বিচাৰি সীমান্ত পাৰ হৈ আহিছো। আমি উভতি যোৱাতকৈ ইয়াতে কাৰাবাস খাটিম।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চৰ্ত মানিলেই কংগ্ৰেছৰে আকৌ হ'ব

কংগ্ৰেছৰ নেতৃত্বত অসম সন্মিলিত মৰ্চা গঠন হৈছিল। কিন্তু গঠনৰ পিছতে জৰ্জৰিত হ'বলৈও বেছি সময় লগা নাছিল। লিলিত অনুষ্ঠিত বৈঠকত উপ-নিৰ্বাচনৰ পাঁচ সমষ্টিৰ ভিতৰত বিহালী সমষ্টি চিপিআইএমএলক এৰি দিয়াৰ সিদ্ধান্ত হৈছিল। কিন্তু কংগ্ৰেছে এৰি দিয়াৰ কথা বাৰে বাৰে কৈ শেষত নিশাৰ ভিতৰতে বিজেপি এৰি অহা জয়ন্ত বৰাক টিকট দি প্ৰাৰ্থী হিচাপে থিয় কৰোৱাত কংগ্ৰেছক এৰি বিৰোধীৰ আন দলকেইটাই নিজাববীয়াকৈ প্ৰাৰ্থী থিয় কৰোৱাই কংগ্ৰেছ একাষৰীয়া কৰিছিল। কংগ্ৰেছৰ নেতৃত্বত ১৬টা বিৰোধী ৰাজনৈতিক দলে লোকসভা নিৰ্বাচন, উপ-নিৰ্বাচনৰ পূৰ্বে বাৰে বাৰে একেলগে নিৰ্বাচন খেলিবলৈ বৈঠক কৰিছিল লিলি হোটেলত। শেষত গৈ সেই বৈঠকে কাম নিদিলে আৰু মিত্ৰতা বৰ্তি নাথাকিল। বৰ্তমানো অসম সন্মিলিত মৰ্চাত কংগ্ৰেছ নাই। কিন্তু দীৰ্ঘ দিনৰ মূৰকত কংগ্ৰেছ অবিহনে আজি পুনৰ লিলি হোটেলত বহিল অসম সন্মিলিত মৰ্চা। ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞা, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, কাৰ্বি আংলঙৰ জন ইংতি কাথাৰ, বামপন্থী দলসমূহৰ নেতাৰ উপস্থিতিত অনুষ্ঠিত লিলি হোটেলৰ বৈঠকত পুনৰ কংগ্ৰেছৰে মিত্ৰতা কৰিবলৈ সহমত পোষণ কৰা বুলি জানিব পৰা গৈছে। কংগ্ৰেছৰে মিত্ৰতা কৰিবলৈ আটাইকেইটা দল আগ্ৰহী বুলি বৈঠকত সকলো দলৰ নেতাই মত দিয়ে যদিও কিছু প্ৰাথমিক চৰ্ত বান্ধি দিব বুলি জানিব পৰা গৈছে। বৈঠকৰ অন্তত এটা সূত্ৰই দাবী কৰা মতে, বৰ্তমান অসম সন্মিলিত মৰ্চাত থকা দলকেইটাই কংগ্ৰেছৰ নেতৃত্বতে নিৰ্বাচন খেলিবলৈ সাজু দিও পূৰ্বৰ দৰে কংগ্ৰেছক সকলো সিদ্ধান্ত ল'বলৈ এৰি নিদিয়ে বুলি জানিব পৰা গৈছে। বৈঠকত অখিল গগৈয়ে কংগ্ৰেছক কেবাটাও চৰ্ত বান্ধি দিয়াৰ বিষয়ে মত পোষণ কৰিছে। আনহাতে, কেবাজনো নেতাই পৰৱৰ্তী বৈঠকত কংগ্ৰেছক চামিল কৰিবলৈ কোৱা বুলি জানিব পৰা গৈছে। অখিল গগৈয়ে কংগ্ৰেছৰ প্ৰসংগ আলোচনা কৰি কয় যে মৰ্যাদা সহকাৰে কংগ্ৰেছে বুজাবুজি কৰিবলৈ খুজিলেহে মিত্ৰতা হ'ব। কংগ্ৰেছে কোনটো দলক কেইখন আসন এৰি দিব তাকে লৈ পূৰ্বেই স্থিতি স্পষ্ট কৰিব লাগিব। মিত্ৰতা হ'লে আগতে আসন ভাগ-বাটোৱাৰা হ'ব লাগিব বুলি চৰ্ত দিয়া সন্দৰ্ভতো আজিৰ বৈঠকত আলোচনা হয়। আজিৰ বৈঠকত একেলগে নিৰ্বাচন খেলি যদি চৰকাৰ গঠন কৰিবলৈ সক্ষম হয় তেন্তে উমৈহতীয়া কৰ্মসূচী তৈয়াৰ কৰাৰে ক্ষেত্ৰতো আলোচনা হোৱা বুলি জানিব পৰা গৈছে। বৈঠকত অংশ লোৱা অখিল গগৈয়ে কয় যে উপ-নিৰ্বাচনত কংগ্ৰেছ নিজে নিজে আতৰি গ'ল। এতিয়া কথা স্পষ্ট যে যদি মৰ্যাদা সহকাৰে থাকিব খোজে, আমাকো মৰ্যাদা সহকাৰে ৰাখিব খোজে তেন্তে বুজাবুজি হ'ব। অন্যথাই বুজাবুজি নহ'ব। এতিয়াৰ পৰা আমাৰ সাংগঠনিক কাম-কাজ চলি থাকিব। আগৰ দৰে কম্প্ৰমাইজ কৰা নহয়। মৰ্যাদা সহকাৰেহে বুজাবুজি হয়। এয়া কোনো চৰ্ত নহয়, প্ৰাথমিকতাহে। গোটেই বছৰে একেলগে থাকিম। নিৰ্বাচন আহিলে কথা সলনি হ'ব। এনে অপমান আৰু সহ্য কৰা নহ'ব। যদি বুজাবুজি হ'ব লাগে তেন্তে আসনৰ আগতীয়াকৈ ভাগ-বিতৰণ হ'ব লাগে। কোনে কিমানখন আসনত খেলিব সেইটো আগতে ঠিক হ'ব লাগে। নহ'লে আকৌ মিত্ৰতা ভাগি যাব। আমাৰ দলৰ মাজত উমৈহতীয়া কৰ্মসূচী তৈয়াৰ কৰিব লাগে। একলগ হৈ যদি চৰকাৰ গঠন কৰিব পাৰে তেন্তে আমি কি কি কাম কৰিব পাৰিম তাক লৈ উমৈহতীয়া কৰ্মসূচী লাগিব বুলি কৈ অখিলে কয় যে পিছত দিল্লীৰ পৰা জাপি দিয়া কথা গ্ৰহণ কৰিব নোৱাৰো। আমি আঞ্চলিকতাবাদী, অসমৰ স্বাৰ্থ ৰক্ষা কৰাকে কিবা কাম কৰিম। দিল্লীৰ পৰা জাপি দিয়া কাম কৰিবলৈ আমি অতুল বৰা নহয়। কংগ্ৰেছে হাইকামাণ্ড মানি চলা দল হোৱাৰ বাবেই আসন ভাগ-বাটোৱাৰাৰ কথাটো এতিয়াই ক'ব নোৱাৰি বুলি কোৱা ভাষ্যৰ প্ৰতিক্ৰিয়া দি অখিল গগৈয়ে কয় যে সেই কাৰণে আমি অপেক্ষা কৰিম। তেওঁলোকে সময় লওক। কিন্তু প্ৰথমতে আসন ভাগ-বাটোৱাৰা হ'ব লাগে। সাম্প্ৰদায়িক আৰু ফেঁচীবাদী বিজেপিক পৰাজিত কৰিবলৈ কংগ্ৰেছৰ ওচৰত বন্ধুৰ দৰে কান্ধ পেলাই দিছিলো। কংগ্ৰেছে যি কয় তাকো শুনিছিলো। কিন্তু আমাৰ মৰমে মৰ্যাদা মাপালে। আসনৰ কথাটো আহিলে আমাক আতৰাই দিয়ে কংগ্ৰেছে। মৰ্যাদা নোহোৱাকৈ আমি জীয়াই থাকিব নোৱাৰো। সেয়েহে আগতে আসনৰ ভাগ-বাটোৱাৰা আৰু উমৈহতীয়া কৰ্মসূচী লাগিব। সাম্প্ৰদায়িক বিজেপি আৰু এআইইউডিএফক পৰাজিত নকৰালৈ এদিনো শান্তিৰে টোপনি নাযাও বুলিও কয় ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে। ইফালে, বৈঠকত অংশ লৈ লুৰীণজ্যোতি গগৈয়ে কয় যে আমাৰ মূল লক্ষ্য হৈছে অসমৰ পৰা সাম্প্ৰদায়িক বিজেপিক উৎখাত কৰিব লাগে। বিজেপিয়ে গণতন্ত্ৰক সংকটত পেলাইছে। মূল্যবৃদ্ধি কৰা জনতাক কষ্ট দিছে। এই কথাত বিজেপিয়ে গুৰুত্ব দিয়া নাই। কেৱল ধৰ্মীয় মেৰুকৰণৰ ৰাজনীতি কৰিছে। তাৰ বিৰুদ্ধে বিৰোধী ৰাজনৈতিক দলসমূহক ঐক্যবদ্ধ কৰিব যায় তাক লৈ আজি আলোচনা হৈছে। ৰণকৌশল তৈয়াৰ কৰিবলৈ এই বৈঠক কৰা হৈছে। বিজেপিক পৰাভূত কৰিব লাগিব।

# হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰখন হিন্দীভাষীৰ চৰকাৰঃ অখিল গগৈ

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** কলাক্ষেত্ৰত আজি হিমন্ত বিশ্ব শৰ্মা মন্ত্ৰীসভাত স্থানপ্ৰাপ্ত চাৰি বিধায়কে মন্ত্ৰী ৰূপে শপত লোৱাৰ পিছতে হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি লৈছে ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে। সংবাদ মাধ্যমৰ মুখামুখি হৈ অসমৰ তিনিটা বৃহৎ জনগোষ্ঠী আহোম, কোঁচ-ৰাজবংশী আৰু চাহ জনগোষ্ঠীক মৰ্য্যাদা প্ৰদান নকৰি দুয়োজন হিন্দীভাষী বিধায়কত মন্ত্ৰী কৰাত বিজেপি দল মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ আক্ৰমণ কৰে। অসমৰ বিজেপি চৰকাৰখনক হিন্দীভাষীৰ চৰকাৰ আখ্যা দি গগৈয়ে হিমন্ত বিশ্ব শৰ্মাই অসমৰ আটাইতকৈ ডাঙৰ জনগোষ্ঠী দুটাক মৰ্য্যাদা প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। উজনি অসমত কোঁচ-ৰাজবংশী, উজনি অসমত আহোম জনগোষ্ঠীক মৰ্য্যাদা প্ৰদান নকৰাৰ অভিযোগ আনে অখিল গগৈয়ে। অসমত দুজন হিন্দীভাষী বিধায়ক আছে দুয়োজনকে মন্ত্ৰী কৰা হ'ল। কোনেও প্ৰশ্ন কৰা নাই। গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক উভতি ধৰি কয় যে বিজেপিৰ চৰকাৰখন খিলঞ্জীয়াৰ চৰকাৰ নহয় নেকি? এই কথা দেখদেখকৈ ক'ব লাগে যি এইখন হিন্দীভাষীৰ চৰকাৰ নেকি? এইখন কেৱল বৰাক উপত্যকাৰ মানুহৰ চৰকাৰ নেকি? মন্ত্ৰীসভাৰ পৰা বৰাক উপত্যকাৰ পৰা মন্ত্ৰী এজন আতৰি যোৱাৰ পিছতে মন্ত্ৰীসভা সাল-সসলনি কৰি দিলে। দুজন হিন্দীভাষী বিধায়ক আছিল দুয়োজনকে মন্ত্ৰী কৰি দিলে। চাহ-আদিবাসী, আহোম আৰু কোঁচ-ৰাজবংশীক বঞ্চিত কৰাৰ অভিযোগ আনি গগৈয়ে কয় যে অসমৰ চাৰিভাগৰ এক অংশ চাহ জনগোষ্ঠী আৰু আদিবাসী মানুহবিলাকৰ মাজৰ পৰা এজনক মাত্ৰ মানুহক মন্ত্ৰী কৰিছে। আগৰ শ্ৰমমন্ত্ৰী সঞ্জয় কিষাণ ভদ্ৰ মানুহ আছিল। ভদ্ৰ লোক নালাগে। তেওঁ চিণ্ডিকেট কৰা মানুহ লাগে। বৰাকৰ যি দুজন মানুহক মন্ত্ৰী কৰিছে সেই দুজন চিণ্ডিকেটৰ মাষ্টৰ। কালেকচন মাষ্টৰ। হিমন্ত বিশ্ব শৰ্মাক চিণ্ডিকেট মাষ্টৰ লাগে। প্ৰশান্ত ফুকনক মন্ত্ৰীত্ব দিয়াৰ কাৰণ বৰ্ণনা কৰি অখিল গগৈয়ে কয় যে হিমন্ত বিশ্ব শৰ্মা কংগ্ৰেছত থাকোতে ৰাজ্যসভাত ভোট দিয়াৰ বাবে প্ৰশান্ত ফুকনক এইবাৰ মন্ত্ৰীসভাত ঠাই দিলে। বিজেপি দলৰ অতি পুৰণি মানুহ হৈয়ো মন্ত্ৰিত্ব পোৱা নাছিল। এইকাৰণেই পোৱা নাছিল যে তেওঁ ৰাজ্যসভা নিৰ্বাচনত কংগ্ৰেছ দলক ভোট দিছিল। তাৰ পুৰস্কাৰ দিলে হিমন্ত বিশ্ব শৰ্মাই। আঁচৰিত কথা যে সংবাদমাধ্যমত অকণমানো সমালোচনা নাই। এই মন্ত্ৰীসভাৰ সাল-সলনিৰ দ্বাৰা এটা কথা স্পষ্ট হ'ল যে অসমৰ আটাইতকৈ ডাঙৰ জনগোষ্ঠী আহোমসকলক গুৰুত্ব নিদিয়া। মন্ত্ৰীসভাত আহোমসকলৰ মাত্ৰ এজন প্ৰতিনিধি। অসমৰ চাৰিভাগৰ এক অংশ মানুহ আহোম। অসমৰ চাৰিভাগৰ এক অংশ মানুহ কোঁচ-ৰাজবংশী। অসমৰ চাৰিভাগৰ এক অংশ মানুহ আদিবাসী-চাহ জনগোষ্ঠী। এইখিনি মানুহক মন্ত্ৰীসভাত স্থান নিদিলে। স্থান দিলে হিন্দীভাষী দুজনক। হিন্দীভাষী এজন মেইন, গুৱাহাটীৰ মাটিৰ মাফিয়াক মন্ত্ৰী বনাই দিলে। এতিয়া বৰাকৰ চিণ্ডিকেট মাষ্টৰজনক মন্ত্ৰী বনাই দিলে। বিজেপিয়ে যে জাতি, মাটি, ভেটিৰ কথা কৈ আছিল। জাতি, মাটি, ভেটি মানে এতিয়া হিন্দীভাষী। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে থলুৱা মানুহক গুৰুত্ব প্ৰদান নকৰে।

# চৰাইদেউ জিলাত ১০০ দিনীয়া যক্ষ্মা নিৰীক্ষণ অভিযানৰ শুভাৰম্ভণি

**ই-সংবাদ, সোণাৰি, ৭ ডিচেম্বৰঃ** চৰাইদেউ জিলা স্বাস্থ্য সমিতিয়ে জিলা যক্ষ্মা কোষৰ উদ্যোগত আজি চৰাইদেউ জিলা চিকিৎসালয়ত ১০০ দিনীয়া যক্ষ্মা নিৰ্মূল অভিযানৰ শুভাৰম্ভ কৰে। উল্লেখ্য যে দেশত যক্ষ্মাৰোগত আক্ৰান্ত লোক আৰু ইয়াৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা হ্ৰাস কৰাৰ উদ্দেশ্যে সমগ্ৰ দেশজুৰি ভাৰত চৰকাৰে যক্ষ্মাৰোগ নিৰ্মূলৰ বাবে ১০০ দিনীয়াকৈ এক অভিযান হাতত লৈছে। এই ১০০ দিনীয়া অভিযানৰ অধীনত অসমৰ ১৭ খন জিলা সামৰি লোৱা হৈছে। এই অভিযানত যক্ষ্মাৰোগত আক্ৰান্ত বুলি সন্দেহজনক লোকসকলক পৰীক্ষা কৰি তৎকালীনভাৱে চিকিৎসা গ্ৰহণৰ বাবে ব্যৱস্থা লোৱা হ'ব। ইয়াৰ লগতে যক্ষ্মা ৰোগৰ চিকিৎসা, প্ৰতিৰোধ ব্যৱস্থা সম্পৰ্কে ব্যাপক প্ৰচাৰ চলোৱা হ'ব। জিলাখনৰ সকলো স্বাস্থ্য অনুষ্ঠানতে 'নি-ক্ষয়' শিবিৰ নামেৰে যক্ষ্মা পৰীক্ষা শিবিৰ, খেকাৰ পৰীক্ষা আৰু যক্ষ্মা সজাগতা শিবিৰ অনুষ্ঠিত হ'ব। আনহাতে, 'নি-ক্ষয়' বাহন নামৰ ভ্ৰাম্যমাণ স্বাস্থ্য পৰীক্ষা বাহনে বিভিন্ন ঠাইত গৈ যক্ষ্মাৰোগৰ পৰীক্ষা কৰিব। এই বাহনখনৰ 'ফ্লেগ অ'ফ' কৰে চৰাইদেউ জিলা স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জ্যোতিৰ্ময় শৰ্মা বৰুৱাই। আজিৰ অনুষ্ঠানত 'নিক্ষয়-মিত্ৰ' অৰ্থাৎ টিবি ৰোগীসকলৰ বাবে বিনামূলীয়া পুষ্টিকৰ খাদ্য যোগান ধৰি অহা তেল আৰু প্ৰাকৃতিক গেছ নিগম আৰু ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ প্ৰতিনিধিসকল উপস্থিত থাকে। তেওঁলোকক জিলা স্বাস্থ্য সমিতিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। আৰু ৬ গৰাকী 'যক্ষ্মা ৰোগী'ক খাদ্য সামগ্ৰী বিতৰণ কৰা হয় লগতে 'যক্ষ্মা'ৰ পৰা আৰোগ্য হোৱা 'টিবি বিজয়ী'সকলকো সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক জ্যোতিৰ্ময় শৰ্মা বৰুৱা, তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ মানৱ সম্পদ বিভাগৰ জিজিএম ৰিজুৱানা নাগভি, ডিজিএম দুৰ্গেশ ভাতীয়া, চৰাইদেউ জিলা চিকিৎসালয়ৰ অধীক্ষক ডাঃ অজিত দাস, শিৱসাগৰ জিলাৰ যক্ষ্মা বিষয়া ডাঃ দ্বিজেন কোঁচ, চৰাইদেউ জিলা যক্ষ্মা বিষয়া ডাঃ সোণালী চেতিয়া, সাপেখাতী আৰু পাটসাঁকো স্বাস্থ্য খণ্ডৰ মহকুমা স্বাস্থ্য আৰু চিকিৎসা বিষয়াসকল, জিলা চিকিৎসা বিষয়াসকল, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা বিষয়াসকল, চাহ বাগিচা চিকিৎসালয়ৰ স্বাস্থ্য বিষয়াসকল, চৰাইদেউ ৰেড ক্ৰছ ছ'চাইটি, লায়ন্স ক্লাব চৰাইদেউ, নাৰ্ছ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

## সংবাদমেলযোগে সদৰী কৰে মৰিগাঁও আৰক্ষীয়ে

# ধৰমতুলত ট্ৰাক হাইজেকৰ ঘটনা মৰিগাঁও আৰক্ষীৰ জালত ৮ দুৰ্ধৰ্ষ ডকাইত

**ই-সংবাদ, মৰিগাঁও, ৭ ডিচেম্বৰঃ** মৰিগাঁও জিলাৰ ধৰমতুলত ২৬ অক্টোবৰৰ নিশা ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দুই কোটি টকাৰ সামগ্ৰী ভৰ্তি এখন ট্ৰাক হাইজেক কৰা ঘটনাই ব্যাপক চাঞ্চল্যৰ সৃষ্টি কৰিছিল। মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসে বিশেষভাৱে গঠন কৰা আৰক্ষীৰ অনুসন্ধানকাৰী দলে অসমৰ লগতে দেশৰ দুখন ৰাজ্যত চলাইছিল ব্যাপক অভিযান। বিগত প্ৰায় চল্লিছ দিন ধৰি কেৰালা, তামিলনাডুৰ উপৰি অসমৰ তেজপুৰ, গোলাঘাট, দৰং, জাগীৰোড, নাৰমাৰী, মৈৰাবাৰী, বৰচলাৰ বিভিন্ন স্থানত অভিযান চলাই দুৰ্ধৰ্ষ ডকাইতৰ গেঙটো পুলিয়ে-পোখাই উৎখাত কৰিবলৈ সক্ষম হয় মৰিগাঁও আৰক্ষী। এই কথা আজি এক সংবাদমেলযোগে সদৰী কৰে মৰিগাঁও আৰক্ষীৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক সমীৰণ বৈশ্যই। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথত ডকাইতি কাণ্ড সংঘটিত কৰি সন্ত্ৰাস সৃষ্টি কৰি অহা দুৰ্ধৰ্ষ ডকাইতৰ দলটোত এজন ৰেব প'ৰ্টেলৰ সাংবাদিক জড়িত হৈ থকাৰ তথ্যও আৰক্ষী বিষয়াগৰাকীয়ে উল্লেখ কৰে। এই জঘন্য ডকাইতিত জড়িত ডকাইত কেইটা হৈছে ক্ৰমে তফজ্জুল হক, আনাৰুল ইছলাম, নজমুল আলী, হিবজুল ৰহমান, ইলিয়াছ আহমেদ, আমিজুল আলী, মন্নাছ আলী আৰু ইমান আলী। উল্লেখ্য যে এই ডকাইতকেইটা গ্ৰেপ্তাৰ কৰা ঘটনাটো মৰিগাঁও আৰক্ষীৰ এক বৃহৎ সাফল্য হিচাপে বিবেচিত হৈছে।



অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ প্ৰথম পুনৰ্মিলন আলোচনা চক্ৰত মুখ্যমন্ত্ৰী, ফটো শনিবাৰৰ

# ওদালগুৰিত ভয়ংকৰ পথ দুৰ্ঘটনাত পথচাৰীৰ মৃত্যু

**ই-সংবাদ, ওদালগুৰি, ৭ ডিচেম্বৰঃ** আজি সন্ধিয়া প্ৰায় ৭.১৫ মান বজাত ওদালগুৰি চহৰৰ মাজমজিয়াৰ ৰে'লগেটৰ সমীপৰ মহিলা বজাৰৰ সন্মুখত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। দুৰ্ঘটনাটোত ভৰত ডেকা নামৰ এগৰাকী চাইকেল আৰোহীৰ মৃত্যু হোৱাৰ লগতে আহত হয় এজন লোক। প্ৰত্যক্ষদৰ্শীৰ ভাষ্য অনুসৰি মিছন চকৰ পৰা শ্বহীদ বেদী মুখে গৈ থকা এখন এএছ-২৭ এফ-৫১২৬ নম্বৰৰ মটৰ চাইকেলে বিপৰীত দিশৰ পৰা অহা এজন পথচাৰীক সন্মুখৰ পৰা খুন্দা মাৰে। ফলত পথচাৰীজন ছিটিকি পৰে। ততাতয়াকৈ আৰক্ষীৰ সহযোগত আহত বাইক আৰোহী আৰু গুৰুতৰভাৱে আহত পথচাৰীজনক চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে পথচাৰীগৰাকীক মৃত ঘোষণা কৰে। ইয়াৰ পাছতেই চিকিৎসালয়ত কিছু উত্তপ্ত পৰিৱেশৰ সৃষ্টি হয় যদিও আৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰে। উল্লেখ্য যে চহৰখনৰ মাজমজিয়াত স্পীডব্ৰেকাৰৰ প্ৰয়োজন আছে। সন্ধিয়া একাংশ বাইক আৰোহীয়ে তীব্ৰবেগত মটৰ চাইকেল চলাই পৰিৱেশ বিপজ্জনক কৰি তোলে। বিগত বছৰটোত কেইবাটাও স্থানত এই স্পীডব্ৰেকাৰ স্থাপন কৰা হৈছিল যদিও বৰ্তমান অৱস্থাত উক্ত স্পীডব্ৰেকাৰসমূহ প্ৰায় নতুনকৈ স্থাপনৰ প্ৰয়োজনবোধ কৰিছে স্থানীয় ৰাইজে।

# চৰাইদেউ জিলাত কাইলৈৰ পৰা আৰম্ভ বিশেষ পলিঅ' প্ৰতিষেধক অভিযান

**ই-সংবাদ, সোণাৰি, ৭ ডিচেম্বৰঃ** ৰাজ্যৰ আন ঠাইৰ লগতে কাইলৈৰপৰা চৰাইদেউ জিলাত আৰম্ভ হ'ব বিশেষ পলিঅ' প্ৰতিষেধক প্ৰদান অভিযান। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ অনুসৰি চৰাইদেউ জিলাকে ধৰি অসমৰ ২৭ খন জিলাত ৮ ডিচেম্বৰৰপৰা আৰম্ভ হ'ব পালচ্ পলিঅ' প্ৰদান অভিযান। চৰাইদেউ জিলা স্বাস্থ্য বিভাগৰ অতিৰিক্ত চিকিৎসা বিষয়া ডাঃ বেনুধৰ দুৱৰাই জনোৱা অনুসৰি চৰাইদেউ জিলাত মুঠ ৬৮,৯৭১ গৰাকী শূন্যৰ পৰা ৫ বছৰ বয়সৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে সামৰি লোৱা হ'ব। ৩৯২ টা পলিঅ' বুথত এই প্ৰতিষেধক প্ৰদান কৰা হ'ব। ৮ ৰ পৰা ১০ ডিচেম্বৰ পৰ্যন্ত পলিঅ' প্ৰতিষেধক প্ৰদানৰ অংশ হিচাপে ৯ আৰু ১০ ডিচেম্বৰত স্বাস্থ্যকৰ্মীসকলে গৃহ পৰিদৰ্শনৰ দ্বাৰা পলিঅ' প্ৰতিষেধক প্ৰদান কৰিব। এই অভিযান সফল কৰি তোলাৰ বাবে ইয়াৰ সৈতে জড়িত প্ৰতিটো বিভাগক সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায় চৰাইদেউ জিলা স্বাস্থ্য বিভাগে। ৫ বছৰ আৰু ইয়াৰ তলৰ শিশুসকলৰ অভিভাৱকসকলক নিজৰ শিশুক পলিঅ' প্ৰতিষেধক সেৱন কৰোৱাবলৈ পলিঅ' বুথলৈ আহিবলৈ আহ্বান জনাইছে বিষয়াগৰাকীয়ে।

# বিষ্ণুজ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস উদযাপনৰ প্ৰস্তুতি

**ই-সংবাদ, মৰিয়নি, ৭ ডিচেম্বৰঃ** যোৰহাট জিলাৰ চেলেংহাটৰ আগশাৰীৰ সাংস্কৃতিক অনুষ্ঠান বিষ্ণু জ্যোতি সামাজিক সাংস্কৃতিক গোষ্ঠীৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱস অহা ১৮ ডিচেম্বৰ বুধবাৰে চেলেংহাটবাসী ৰাইজৰ সহযোগত চেলেংহাট বৰনগঞা গাঁৱৰ এক প্ৰাকৃতিক পৰিৱেশৰ মাজত উদযাপন কৰিবৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে। অনুষ্ঠানটোৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়া মতে ২০২১ চনতে চেলেংহাটৰ কেইজনমান সাংস্কৃতিক মনৰ যুৱকৰ প্ৰচেষ্টাত জন্ম লোৱা সাংস্কৃতিক অনুষ্ঠানটিয়ে বিগত তিনিটা বৰ্ষত অঞ্চলটোৰ উঠি অহা প্ৰজন্ম উৎসাহিত হোৱাকৈ বিভিন্ন প্ৰতিযোগিতা, মেধা সম্পন্ন শিক্ষাৰ্থীৰ সম্বৰ্ধনা, মহান ব্যক্তিসকলৰ দিৱস, সাংস্কৃতিক অনুষ্ঠান আদিৰ লগতে আৰ্তজনৰ কাষত থিয় দি আহিছে। এইবাৰ অনুষ্ঠানটোৰ চতুৰ্থ বাৰ্ষিক প্ৰতিষ্ঠা দিৱসত অবিভক্ত শিৱসাগৰ জিলাৰ ভিত্তিত ভাওনাৰ সংলাপ প্ৰতিযোগিতা আৰু চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰিছে। লগতে নিশালৈ স্থানীয় আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা অনুষ্ঠিত হ'ব গীত, নৃত্য, কবিতাৰে শীতৰ এনিশা। উল্লেখ্য যে তিনিটা বছৰ ধৰি অনুষ্ঠানটোৱে প্ৰদান কৰি অহা নৰোত্তম বঁটা এই বৰ্ষৰ বাবে নিৰ্বাচিত হৈছে অসমৰ ৰূপালী পৰ্দাৰ এজন জনপ্ৰিয় নাট্যকাৰ, পৰিচালক তথা অভিনেতা পংকজ গোস্বামী। আনহাতে, প্ৰতিযোগিতাৰ সবিশেষ জানিবৰ বাবে ৭০০২১৭৮৯৬৩, ৬০০০৪৩৯২১৩, ৯৩৬৫৮২২২৭৯, ৮৮২২৮৬৫১১০ নম্বৰত যোগাযোগ কৰিবলৈ অনুষ্ঠানটোৰ বিষয়ববীয়াসকলে আহ্বান জনাইছে।



মন্ত্ৰীত্ব লাভৰ পাছতে প্ৰশান্ত ফুকনক শুভেচ্ছা দিলে মন্ত্ৰী পীযুষ হাজৰিকাই




গোৰেশ্বৰত চিপি আই(এম)ৰ প্ৰথম তামুলপুৰ জিলা সন্মিলন, ফটো- ই-সংবাদ, গোৰেশ্বৰ

## চৰকাৰ-প্ৰশাসনক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী

# মাৰ্ঘেৰিটাত অবৈধ কয়লা খননৰ বিৰুদ্ধে সৰৱ অসমীয়া যুৱ মঞ্চ

**ই-সংবাদ, ডুমডুমা, ৭ ডিচেম্বৰঃ** তিনিচুকীয়া জিলাৰ নৱগঠিত মাৰ্ঘেৰিটা সমজিলাৰ অন্তৰ্গত বিভিন্ন অঞ্চল নামদাং, বৰগোলাই, লিডু, পাহাৰপুৰ, ঝৰ্ণাবস্তি, টোপং চালি লালপাহাৰ, কয়লা ডুবি, বমপাৰা আদিত চলি অহা অবৈধ কয়লা খননক লৈ সৰৱ হৈ পৰিছে অসমীয়া যুৱ মঞ্চ। মঞ্চৰ তিনিচুকীয়া জিলা সমিতিয়ে আজি দুপৰীয়া মাৰ্ঘেৰিটাৰ হোটেল ৰুণুমিজত এখনি সংবাদমেল আয়োজন কৰি মাৰ্ঘেৰিটা সমজিলাত অব্যাহত থকা এনে অবৈধ কয়লা খনন কাৰ্যৰ বিৰুদ্ধে এক প্ৰকাৰ সৰৱ হোৱাৰ লগতে এই সন্দৰ্ভত চৰকাৰ-প্ৰশাসনক যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিবলৈ দাবী জনায় কয় যে কয়লা ৰাণী খ্যাত মাৰ্ঘেৰিটা সমজিলাৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত এচাম দুষ্কৃতিকাৰীৰূপী কয়লা মাফিয়াই একাংশ দুৰ্নীতিপৰায়ণ বিভাগীয় বিষয়াৰ সহযোগত এক প্ৰকাৰৰ বন ধ্বংসযজ্ঞত লিপ্ত হৈ জীৱকুলৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। পাটকাই পৰ্বতৰ পাৰিপাৰ্শ্বিকতাৰ ওপৰত কুঠাৰঘাত কৰা এইসকলৰ বিৰুদ্ধে চৰকাৰ-প্ৰশাসনক অনতিপলমে ব্যৱস্থা গ্ৰহণৰ দাবী তোলে অসমীয়া যুৱ মঞ্চৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলিও হুংকাৰ দিয়ে। তিনিচুকীয়া জিলা সমিতিয়ে। উল্লেখ্য যে, চলিত বৰ্ষৰ ২১ জুনত অসম বিধানসভাৰ সদস্যৰে অসম চৰকাৰে গঠন কৰা ৰাজহুৱা উদ্যোগ খণ্ডৰ তদাৰক সমিতিৰ এটা সঁজাতি দলে মাৰ্ঘেৰিটা সমজিলাত চলি থকা অবৈধ কয়লা মজুত কৰি ৰখা বিভিন্ন ঠাই পৰিদৰ্শন কৰি তিনিচুকীয়া জিলা প্ৰশাসনক যাৱতীয় ব্যৱস্থা গ্ৰহণৰ বাবে পৰামৰ্শ দিয়াত জিলা প্ৰশাসন আৰু ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই এই সন্দৰ্ভত অভিযান চলাই কেইবাহাজাৰ টন কয়লা বাজেয়াপ্ত কৰে যদিও বাজেয়াপ্ত কৰা কয়লাখিনি আজিপৰ্যন্ত ক'ল ইণ্ডিয়া কৰ্তৃপক্ষই নিলামৰ ব্যৱস্থা গ্ৰহণ নকৰাটো পৰিতাপৰ বিষয়। আজিৰ সংবাদমেলত অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি তথা সক্ৰিয় যুৱ নেতা গৌতম বৰুৱাৰ লগতে জিলা সমিতিৰ অন্যান্য বিষয়ববীয়াসকল উপস্থিত থাকে। সভাপতি গৌতম বৰুৱাই চৰকাৰ-প্ৰশাসনে অনতিপলমে এই অবৈধ খননৰ বিৰুদ্ধে যাৱতীয় পদক্ষেপ গ্ৰহণ নকৰিলে অসমীয়া যুৱ মঞ্চই তীব্ৰ

# নলবাৰী জিলা মহিলা সমিতিৰ কুইজ প্ৰতিযোগিতা সম্পন্ন

**ই-সংবাদ, নলবাৰী, ৭ ডিচেম্বৰঃ** নলবাৰী জিলা মহিলা সমিতিৰ উদ্যোগত সমিতিৰ কাৰ্যালয়ত জিলা পৰ্যায়ৰ প্ৰাইজমানি কুইজ প্ৰতিযোগিতা এখন কালি দিনৰ ২.৩০ বজাত অনুষ্ঠিত হয়। কুইজ প্ৰতিযোগিতাখন উদ্বোধন কৰে নলবাৰী ছোৱালী হাইস্কুলৰ কৃতী শিক্ষক তথা 'বৃক্ষ-বন্ধু' অভিধা প্ৰাপক গংগাধৰ বৰ্মনে। সমগ্ৰ শিক্ষা, অসমৰ ৰাজ্যিক সমল ব্যক্তি তথা লেখক সুভাষ বৰ্মনে এই কুইজ প্ৰতিযোগিতাখন পৰিচালনা কৰে। কুইজ পৰিচালনাৰ আগমুহূৰ্তত সুভাষ বৰ্মনে কয় যে সম্প্ৰতি জ্ঞানান্বেষীসকলৰ অন্যতম অৱলম্বন কুইজ। শিকনৰ এক গুৰুত্বপূৰ্ণ মাধ্যমো হৈ পৰিছে কুইজ। কুইজে প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু হোৱাত সহায় কৰে। তেওঁ আৰু কয় যে নলবাৰী জিলা মহিলা সমিতিয়ে কুইজ পাতি এটা সামাজিক দায়িত্ব পালন কৰিছে। কুইজ পৰিচালনাত সহায় কৰে ৰাজ্যিক কৃতী শিক্ষকৰ বঁটা প্ৰাপক তথা 'পূৰ্ব ভাৰতী', নলবাৰীৰ সচিব প্ৰধান প্ৰমোদ তালুকদাৰে। তেৰোঁ প্ৰতিযোগীসকলক উৎসাহ দিবলৈ আযাৰচেৰেক কথা উপস্থাপন কৰে। অনুষ্ঠানৰ আঁত ধৰে সমিতিৰ সম্পাদিকা অনু বৰ্মনে। অধ্যাপিকা সৰলা তালুকদাৰ বৰ্মনে বঁটা বিতৰণী সভাৰ প্ৰাক্ মুহূৰ্তত নিজৰ অভিমত ব্যক্ত কৰে। এই সভাতে জিলা সমিতিৰ বিষয়ববীয়াসকলেও চমুকৈ নিজৰ নিজৰ অভিমত ব্যক্ত কৰে। প্ৰথম পুৰস্কাৰ হিচাপে নগদ তিনি হাজাৰ টকা, ট্ৰফী আৰু কিতাপৰ টোপোলা আগবঢ়ায় ভট্টদেৱ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা সৰলা তালুকদাৰ বৰ্মনে। দ্বিতীয় পুৰস্কাৰ হিচাপে নগদ দুই হেজাৰ টকা, ট্ৰফী আৰু কিতাপৰ টোপোলা আগবঢ়ায় পুণ্যময়ী বৰকটকীয়ে। তৃতীয় পুৰস্কাৰ হিচাপে নগদ এক হাজাৰ টকা, ট্ৰফী আৰু কিতাপৰ টোপোলা আগবঢ়ায় কান্তি দত্তই। উদগনিমূলক পুৰস্কাৰ হিচাপে নগদ ৫০০ টকা, ট্ৰফী আৰু কিতাপৰ টোপোলা আগঢ়ায় বিমলা গোস্বামীয়ে। ঘোষিত ফলাফল অনুযায়ী প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে ভাৰতী মিশ্ৰৰ দলে। দলটোৰ আন আন সদস্যাসকল হ'ল মঞ্জু দেৱী, ললিতা গোস্বামী, গীতাঞ্জলী দেৱী আৰু দীপিকা ভট্টাচাৰ্য।

# তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাক লৈ জিলা আয়ুক্তৰ অভব্য আচৰণ, প্ৰতিকৃতি দাহ ছাত্ৰ সংগঠনৰ



**ই-সংবাদ, ডুমডুমা, ৭ ডিচেম্বৰঃ** গ্ৰন্থমেলা আৰম্ভ হোৱাৰ আৰম্ভণিতেই বিতৰ্কৰ আৱৰ্তত সোমাই পৰিছে তিনিচুকীয়া ৰাজ্যিক গ্ৰন্থমেলাৰ উদ্যোক্তা সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থা। ঘটনাৰ বিৱৰণী অনুসৰি, সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ বিষয়ববীয়াসকলে গ্ৰন্থমেলাৰ আনুসংগিক খৰচৰ বাবে তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী তথা সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাক সাক্ষাৎ কৰাত মন্ত্ৰী বিমল বৰাই তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপ্নীল পালক যোগাযোগ কৰাৰ পৰামৰ্শ প্ৰদান কৰে। সেইমৰ্মে, কালি সংগঠনটোৰ বিষয়াবৰ্গই জিলা আয়ুক্তক সাক্ষাৎ কৰাত আয়ুক্তগৰাকীয়ে সহযোগিতা আগবঢ়োৱাৰ কোনো প্ৰতিশ্ৰুতি নিদি প্ৰতিনিধি দলটোক অভব্য আচৰণ কৰি জে'লত ভৰাম বুলি মন্তব্য আগবঢ়ায়। ইয়াৰ বিপৰীতে সংগঠনটোৰ কৰ্মকৰ্তাই আয়ুক্তৰ এনে অসৌজন্যমূলক আচৰণত হতভম্ব হোৱাৰ লগতে ক্ষোভিত হৈ পৰে। তৎকালীনভাৱে সংগঠনটোৱে আজি বৰগুৰিস্থিত সাধনী ভৱনত দিনৰ দুই বজাত সদৌ তিনিচুকীয়া জিলা চুতীয়া ছাত্ৰ সন্থাৰ প্ৰাক্তন সাধাৰণ সম্পাদক ৰিতু চুতীয়া, বৰ্তমানৰ সভাপতি নয়নজ্যোতি শইকীয়া, সাধাৰণ সম্পাদক গংগাধৰ শইকীয়াৰ নেতৃত্বত এখন সংবাদমেল অনুষ্ঠিত কৰাৰ লগতে তিনিচুকীয়া থানা চাৰিআলিত জিলা আয়ুক্ত গ' বেক, জিলা আয়ুক্ত মুৰ্দাবাদ, জিলা আয়ুক্তৰ গুণ্ডাগিৰি বন্ধ কৰক, জিলা আয়ুক্তক বদলি কৰক আদি বিভিন্ন প্ৰতিবাদী শ্ল'গান দি জিলা আয়ুক্তৰ প্ৰতিকৃতি দাহ কৰে। উল্লিখিত প্ৰতিকৃতি দাহ কাৰ্যসূচীত সদৌ তিনিচুকীয়া চুতীয়া ছাত্ৰ সন্থাৰ নেতৃবৰ্গৰ লগতে বিভিন্ন আঞ্চলিকৰ প্ৰতিনিধি বৰ্গ উপস্থিত থাকে। ইফালে, জিলা আয়ুক্ত স্বপ্নীল পালৰ এনে হঠকাৰী মন্তব্যত জাঙুৰ খাই উঠিছে তিনিচুকীয়াৰ বৌদ্ধিক সমাজ।

## অসম মিঞা পৰিষদৰ কেন্দ্ৰীয় সভাপতি আব্দুল বাতেন

# গো-মাংস বৰ্জনৰ সিদ্ধান্তই অসম কেবিনেটৰ মৰ্যাদা হানি কৰিছে

**ই-সংবাদ, পৰ্বতঝোৰা, ৭ ডিচেম্বৰঃ** শেহতীয়াকৈ অসম চৰকাৰৰ কেবিনেটে অসমৰ ৰাজহুৱা অনুষ্ঠানত গো-মাংস ভক্ষণ, গো-নিধন সম্পূৰ্ণভাৱে নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা সন্দৰ্ভত তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসম মিঞা পৰিষদৰ কেন্দ্ৰীয় সভাপতি আব্দুল বাতেনে। সাংবাদ মাধ্যমৰ আগত প্ৰতিক্ৰিয়া ব্যক্ত কয় যে কেবিনেটৰ সিদ্ধান্ত হৈছে এক সৰ্বাংগীনভাৱে ৰাইজৰ উন্নয়ন আৰু স্বাৰ্থ জাড়িত থকা এক কাৰ্যক্ৰমণিকা। কিন্তু অসম চৰকাৰৰ কেবিনেটে গো-মাংস নিষিদ্ধ সন্দৰ্ভত লোৱা সিদ্ধান্তই অসম কেবিনেটৰ মৰ্যাদা লাঘৱ কৰিছে। তেওঁ কেবিনেটৰ এই সিদ্ধান্ত শীঘ্ৰে বাতিল কৰিবলৈ দাবী জনায়। অসমৰ মুখ্যমন্ত্ৰীগৰাকী এজন বিচক্ষণ মুখ্যমন্ত্ৰী বুলি যি সুনাম শুনিবলৈ পোৱা যায় সেই বিচক্ষণতাৰ পৰিচয় মুখ্যমন্ত্ৰীগৰাকীক জনহিতকৰ কাম-কাজৰ জৰিয়তে তুলি ধৰিবলৈ তেওঁ আহ্বান জনায়। তেওঁ কয় যে ৰকিবুল হুছেইনক ইতিমধ্যে ধুবুৰীৰ ৰাইজে গ'বেক দিয়া আৰম্ভ কৰিছে। আনকি বিভিন্নজনে তেওঁলোকৰ অঞ্চলত ৰকিবুলৰ প্ৰৱেশৰ ওপৰতো নিষেধাজ্ঞা জাৰি কৰিছে। ৰকিবুল হুছেইনে গো-মাংস সন্দৰ্ভত কৰা বক্তব্যৰ ওপৰত অসম চৰকাৰৰ কেবিনেটে লোৱা সিদ্ধান্ত সঠিক নহয় বুলি তেওঁ উল্লেখ কৰে। এনে সিদ্ধান্ত বাতিল নকৰিলে ৰাইজৰ লগত থাকি গণতান্ত্ৰিক প্ৰতিবাদ আৰম্ভ কৰিব বুলি তেওঁ সকীয়াই দিয়ে।

# এমাহে সন্ধান নাই যুৱতীৰ আগমনি থানা ঘেৰাও দল-সংগঠনৰ

**ই-সংবাদ, গোলকগঞ্জ, ৭ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বেলগুৰি দ্বিতীয় খণ্ড গাঁৱত যোৱা ছয় নৱেম্বৰত অপহৰণ হোৱা যুৱতীগৰাকীৰ সন্ধান এমাহে উলিয়াব নোৱাৰাৰ প্ৰতিবাদত আজি একাংশ দল-সংগঠনে আগমনি আৰক্ষী থানা ঘেৰাও কৰে। জানিব পৰা মতে, ৰতিয়াদহ প্ৰথম খণ্ড গাঁৱৰ প্ৰয়াত সুৰেশ ৰায়ৰ পুত্ৰ সুশান্ত ৰায় ৰাজমিস্ত্ৰী হিচাপে বেলগুৰি প্ৰথম খণ্ডৰ এঘৰত কাম কৰিছিল। সেইসূত্ৰে ঘৰৰ গৰাকীৰ একমাত্ৰ যুৱতীৰ লগত সুসম্পৰ্ক গঢ়ি উঠে। ছয় নৱেম্বৰৰ সন্ধিয়া ছেগ বুজি দুয়ো পলায়ন কৰে। চাৰিফালে বিচাৰিও সন্ধান নাপাই সিদিনাই যুৱতীৰ পিতৃয়ে কন্যাক সুশান্ত ৰায়ে অপহৰণ কৰা বুলি এজাহাৰ দাখিল কৰে। আঠ নৱেম্বৰত সদৌ অসম গৰিয়া মৰিয়া জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিৰ এটা দলে আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক সাক্ষাৎ কৰি ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দিয়ে। নিৰ্ধাৰিত দিনৰ ভিতৰত সন্ধান উলিয়াব নোৱাৰিলে আন্দোলনৰ ভাবুকি দিয়ে। এনেকৈ এমাহ উকলি যায় যদিও সন্ধান উলিওৱাত ব্যৰ্থ হয় আৰক্ষী। ইয়াৰ বাবে স্থানীয় ৰাইজে মূলতঃ জগৰীয়া কৰিছে থানাখনৰ উপ-পৰিদৰ্শক জোনালী দেৱীক। গোচৰটোৰ দায়িত্বত থকা বিষয়া জোনালী দেৱীৰ তদন্তত হেমাহিৰ বাবেই অপহৃতাৰ সন্ধান উলিওৱাত ব্যৰ্থ হোৱাৰ অভিযোগ উত্থাপন কৰি আজি সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ জিলা সভাপতি আফজালুৰ ৰহমান, কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ ধুবুৰী জিলা সভাপতি জগদীশ চন্দ্ৰ ৰায় আৰু অবিভক্ত গোৱালপাৰা জিলা আক্ৰাছুৰ ধুবুৰী জিলাৰ সভাপতি অমিত্য ৰায়ৰ উদ্যোগত স্থানীয় মহিলা সমিতিৰ সহযোগত ডেৰ শতাধিক পুৰুষ-মহিলাই আগমনি থানা ঘেৰাও কৰে। প্ৰতিবাদকাৰীসকলে এছ আই জোনালী হায় হায়, গোচৰটোৰ পৰা এছ আই জোনালীক সলনি কৰক, অপহৃতা যুৱতীক উদ্ধাৰ কৰক আদি শ্ল'গান দি পৰিৱেশ উত্তাল কৰে। পিছত ভাৰপ্ৰাপ্ত বিষয়া প্ৰণৱ ডেকা প্ৰতিবাদকাৰীৰ লগত দীৰ্ঘ সময় আলোচনাত মিলিত হয়। ভাৰপ্ৰাপ্ত বিষয়াই দহ-পোন্ধৰ দিনৰ ভিতৰত যুৱতীগৰাকীক উদ্ধাৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়াত পৰিৱেশ নিয়ন্ত্ৰণলৈ আহে।

# খাৰুপেটীয়াত অৱসৰ প্ৰাপ্ত স্বাস্থ্য কৰ্মচাৰী আৰ্চাদ আলীৰ দেহৱসান

**ই-সংবাদ, খাৰুপেটীয়া, ৭ ডিচেম্বৰঃ** দৰং জিলাৰ খাৰুপেটীয়া হাস্পতাল কলনি ৰোড নিবাসী অৱসৰপ্ৰাপ্ত স্বাস্থ্য কৰ্মচাৰী আৰ্চাদ আলী(৬৫)য়ে যোৱা নিশা ইহলীলা সম্বৰণ কৰে। খাৰুপেটীয়া প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত এগৰাকী কম্পাউণ্ডৰ হিচাপে চাকৰি কৰি পিছলৈ মঙলদৈ অসামৰিক চিকিৎসালয়লৈ বদলি হোৱাত মঙলদৈ চিকিৎসালয়ৰ পৰা তেওঁ চাকৰিৰ পৰা অৱসৰ লয়। তেওঁ চাকৰিসূত্ৰে খাৰুপেটীয়া হাস্পতাল কলনি ৰোডত স্থায়ীভাৱে আছিল। কালি হঠাৎ অসুস্থ হৈ পৰাত তেওঁক গুৱাহাটীলৈ উন্নত চিকিৎসাৰ বাবে নিয়া হয় যদিও চিকিৎসাধীন অৱস্থাত তেওঁ নিশা ১১ মান বজাত মৃত্যুক আঁকোৱালি লয়। বৃহত্তৰ খাৰুপেটীয়া অঞ্চলত সকলোৰে পৰিচিত অমায়িক স্বভাৱৰ স্বাস্থ্য কৰ্মচাৰী আৰ্চাদ আলীৰ পৰা কোনোবাই চিকিৎসা সেৱা বিচাৰিলে সুন্দৰ ব্যৱহাৰেৰে তেওঁ সকলোকে চিকিৎসা সেৱা আগবঢ়াইছিল। মৃত্যুৰ সময়ত তেওঁ দুজন পুত্ৰ আৰু এগৰাকী কন্যা, সহধৰ্মিনী আৰু আত্মীয়ক এৰি থৈ যায়। তেওঁৰ মৃত্যুত বৃহত্তৰ খাৰুপেটীয়া অঞ্চলত শোকৰ ছাঁ পৰে। আজি আবেলি খাৰুপেটীয়া টাউন কৱৰস্থানত তেওঁৰ জানাজা সম্পন্ন কৰা হয়।

# চামগুৰিত নৱ নিৰ্বাচিত বিজেপি বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক বিপুল সম্বৰ্ধনা

**ই-সংবাদ, পুৰণিগুদাম, ৭ ডিচেম্বৰঃ** অসমৰ মধ্যম খণ্ডত অৱস্থিত চামগুৰি ঐতিহ্যমণ্ডিত আৰু ঐতিহাসিক অঞ্চল। সংস্কৃতিৰ আমি নামঘৰ বুলি ক'ব পাৰো চামগুৰিক। সাহিত্যৰ বৰঘৰ বুলিও ক'ব পাৰো চামগুৰিক।- এই মন্তব্য নৱনিৰ্বাচিত চামগুৰিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মাৰ। নগাঁও জিলাৰ চামগুৰি সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাক যোৱা নিশা চামগুৰি তিনিআলিত বিজেপি কাৰ্যকৰ্তাসকলৰ লগতে স্থানীয় ৰাইজ আৰু বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়াসকলে বিপুলভাৱে সম্বৰ্ধনা জনায়। ২৪ বছৰ কংগ্ৰেছ দল তথা ৰকিবুল হুছেইনে প্ৰতিনিধিত্ব কৰা চামগুৰি সমষ্টিটোত এইবাৰ উপ-নিৰ্বাচনত প্ৰায় ২৬ হাজাৰ ভোটৰ ব্যৱধানত বিজেপি দলৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মাই কংগ্ৰেছ দলৰ প্ৰাৰ্থীগৰাকীক পৰাস্ত কৰি সমষ্টিটোত বিজেপিৰ বিজয় ধৰ্জ্জা উৰুৱাবলৈ সক্ষম হয়। চামগুৰি সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই শপত গ্ৰহণ কৰাৰ পিছত কালি প্ৰথমবাৰৰ বাবে চামগুৰিত উপস্থিত হোৱাত বিধায়কগৰাকীক বিপুলভাৱে উষ্ম আদৰণি জনোৱা হয়। সম্বৰ্ধনা সভাখনত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই ভাষণ প্ৰসংগত কয় যে, দেৱকান্ত বৰুৱাই এসময়ত প্ৰতিনিধিত্ব কৰা এই সমষ্টিটোৰ কথা ভাৰতত সকলোৱে জানিছিল। গতিকে এইসকল ব্যক্তিৰ নাম এই চামগুৰি অঞ্চলত জড়িত হৈ আছে। চামগুৰি অঞ্চলত আমি এক সম্প্ৰতিৰ নিদৰ্শন দাঙি ধৰিম। হিন্দু হওক, মুছলমান হওক, খ্ৰীষ্টান হওক, বৌদ্ধিষ্ট হওক, অসমীয়া হওক, বেংগলী হওক, চাহ জনগোষ্ঠী-আদিবাসী ৰাইজ হওক আমি সকলোৱে মিলি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱে যি এখন বৰ অসমৰ পৰিকল্পনা কৰিছিল, সেই বৰ অসমৰ সচিত্ৰ ৰূপ আমি সদায় চামগুৰিত দেখা পাওঁ। গতিকে মই ভাবো হয়তো মই পূৰ্বজন্মত কিবা পুণ্য কৰিছিলো যে এনেকুৱা এক ঐতিহ্যমণ্ডিত ঠাইৰ ৰাইজৰ আশীৰ্বাদ পাবলৈ সক্ষম হৈছো, আপোনালোকৰ সেৱা আগবঢ়াবলৈ মই সৌভাগ্য লাভ কৰিছো। লগতে তেওঁ কয় যে সাধাৰণ ঘৰৰ ল'ৰা-ছোৱালীয়ে কংগ্ৰেছৰ দিনত এপিএছচি পাবলৈ সক্ষম হোৱা নাছিল। কংগ্ৰেছৰ দিনত টকা নিদিয়ালৈকে কোনো সাধাৰণ ঘৰৰ ল'ৰা-ছোৱালীয়ে চাকৰি পোৱা নাছিল। আজি বিজেপি চৰকাৰ অহাৰ পাছতো দুখীয়া ঘৰৰ ল'ৰা-ছোৱালীয়েও কংগ্ৰেছ হওক, এজিপি হওক সকলোধৰণৰ লোকৰ সন্তানে আজিৰ দিনত চাকৰি পাবলৈ সক্ষম হৈছে, সপোন দেখিবলৈ সক্ষম হৈছে। এয়াই হৈছে ভাৰতীয় জনতা পাৰ্টিৰ পৰিৱৰ্তন আৰু এই পৰিৱৰ্তনৰ কাৰণে ৰাইজৰ আশীৰ্বাদ পাইছো আৰু ৰাইজৰ আশীৰ্বাদ সদায় শিৰত লৈ আমি কাম কৰি যাম। আপোনালোকে এইবাৰ ইতিহাস ৰচিছে। এজন প্ৰৱল প্ৰতাপী ব্যক্তিক আজি আপোনালোকে চুৰ্ণ-বিচুৰ্ণ কৰি পেলাইছে। এই জয় দিপ্লুৰঞ্জন শৰ্মাৰ জয় নহয়, এই জয় বিজেপি, এজিপিৰ জয় নহয়, এই জয় চামগুৰিবাসী ৰাইজৰ আশীৰ্বাদৰ জয় বুলি ভাষণ প্ৰসংগত তেওঁ উল্লেখ কৰে। আনহাতে, কালি দিনত চামগুৰি সমষ্টিৰ নৱনিৰ্বাচিত বিধায়ক দিপ্লুৰঞ্জন শৰ্মাই চামগুৰিত উপস্থিত হৈ প্ৰথমে চামগুৰি পূৰ্ণিমা শইকীয়া উচ্চ মাধ্যমিক বিদ্যালয়, চামগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়, চামগুৰি মহাবিদ্যালয়কে ধৰি কেইবাখনো আগশাৰীৰ শিক্ষানুষ্ঠানত উপস্থিত হৈ শৈক্ষিক পৰিৱেশৰ বুজ লোৱাৰ লগতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগত মত-বিনিময় কৰে। কলিয়াবৰ জিলা বিজেপিৰ উপ-সভাপতি পাৰ্থ প্ৰতিম হাজৰিকা, পুৰণিগুদাম মণ্ডল বিজেপিৰ সভাপতি মিণ্টু শৰ্মা আৰু কলিয়াবৰ যুৱ মৰ্চাৰ সভাপতি লক্ষীৰঞ্জন কাকতিসহ বহুকেইজন বিজেপি নেতা বিধায়কগৰাকীৰ লগত উপস্থিত থাকে। পৰৱৰ্তী সময়ত সদ্যঘোষিত অসম লোকসেৱা আয়োগৰ পৰীক্ষাত ৮৮ সংখ্যক স্থান পোৱা চামগুৰি সমষ্টিৰ অন্তৰ্গত উদমাৰি অঞ্চলৰ প্ৰিয়ংকা সোণাৱীৰ বাসভৱনত চামগুৰি সমষ্টিৰ বিধায়কগৰাকী উপস্থিত হৈ চামগুৰিলৈ গৌৰৱ কঢ়িয়াই অনা প্ৰিয়ংকা সোণাৱীক সম্বৰ্ধনা জনায়। পৰৱৰ্তী সময়ত বিধায়কগৰাকী ৰঙাগড়া পঞ্চায়ত আৰু মোৱামাৰী পঞ্চায়তত উপস্থিত হয়। উক্ত দুইটা পঞ্চায়তত বিজেপি কাৰ্যকৰ্তাসকলে নৱনিৰ্বাচিত বিধায়কজনক বিপুলভাৱে সম্বৰ্ধনা জনায় ।

# শদিয়া সমজিলা প্ৰশাসনৰ পথ সুৰক্ষা সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত

**ই-সংবাদ, ডুমডুমা, ৭ ডিচেম্বৰ:** শদিয়া সম-জিলা প্ৰশাসনৰ উদ্যোগত শদিয়া সম-জিলা আয়ুক্তৰ কাৰ্য্যালয়ৰ সভাকক্ষত সম-জিলা আয়ুক্ত মানসজ্যোতি নাথৰ পৌৰোহিত্যত কালি পথ সুৰক্ষা সমিতিৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হ'য়। সম-জিলাখনৰ বিভিন্ন বিভাগৰ মুৰব্বী, বিষয়া-কৰ্মচাৰীসকলৰ উপস্থিতিত অনুষ্ঠিত হোৱা বৈঠকত সম-জিলাখনৰ শান্তিপুৰৰ পৰা ছৈখোৱা (ধলা) লৈ ১১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ লগতে সম-জিলাখনৰ বিভিন্ন গ্ৰাম্য এলেকাৰ পথসমূহত পোহনীয়া জন্তুৰ গৰাকীসকলক তেখেত সকলৰ জন্তু সমূহ পথত এৰি নিদিলৈ বাধা আৰোপ কৰাৰ উপৰিও পঞ্চায়তসমূহক এই ক্ষেত্ৰত যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ সম-জিলাৰ আয়ুক্ত গৰাকীয়ে নিৰ্দেশ দিয়ে যাতে পথত যান-বাহন চলাচল কৰাৰ ক্ষেত্ৰত যাতে দুৰ্ঘটনাৰ পৰা ৰক্ষা পাব পাৰে। ইয়াৰ উপৰিও বৈঠকত যিসমূহ পথত বিগত সময়ছোৱাত অধিক মাত্ৰাত দুৰ্ঘটনা সংঘটিত হৈছে সেইবোৰ চিনাক্ত কৰি তাৰ কাৰণ পৰ্য্যালোচনা কৰা হ'য়। সম-জিলাৰ আয়ুক্তগৰাকীয়ে পথত পৰ্য্যাপ্ত মাত্ৰাত পদচিহ্ন আৰু প্ৰতিফলক আদি স্থাপনৰ বাবে শদিয়া সম-জিলাৰ ৰাষ্ট্ৰীয় ঘাইপথ আন্ত:গাঁথনি উন্নয়ন নিগম আৰু লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিয়ে। আনহাতে, পথত সুৰাপায়ী গাড়ীচালকৰ বিৰুদ্ধে তীব্ৰতৰ অভিযান চলাবলৈ সম-জিলাখনৰ আৰক্ষী আৰু আৰকাৰী বিভাগক নিৰ্দেশ দিয়াৰ লগতে পথৰ কাষতে পেলাই ৰখা বিদ্যুত বিভাগৰ খুঁটাসমূহ অতি শীঘ্ৰে স্থানান্তৰিত কৰিবলৈ লোক নিৰ্মাণ বিভাগ আৰু অসম শক্তি বিতৰণ লিমিটেড(এপিডিচিএল)ক নিৰ্দেশ দিয়ে। বৈঠকত আয়ুক্ত গৰাকীয়ে পৌৰসভাৰ অন্তৰ্গত নগৰখনৰ পথৰ ওপৰত যিসকল গৰাকীয়ে পাৰ্কিং নোহোৱা ঠাইত যান-বাহন ৰখাই থয়, সেইসকলৰ বিৰুদ্ধে আৰক্ষী আৰু পৌৰসভাক যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈও নিৰ্দেশ দিয়ে। বৈঠকত লোকনিৰ্মাণ বিভাগে যোৱা জানুৱাৰী, ২০২৪ পৰা নৱেম্বৰ, ২০২৪ লৈ সম-জিলাখনত সৰু-ডাঙৰ মুঠ ২২ টা দুৰ্ঘটনা হৈছে বুলি বিভাগীয় অভিযন্তাগৰাকীয়ে জানিবলৈ দিয়ে। বৈঠকত অতিৰিক্ত আৰক্ষী অধীক্ষক অৰুণিমা ভুঞা, ৰাজহ চক্ৰ বিষয়া জয়দ্বীপ ৰজক উপস্থিত আছিল।

# গোগামুখ-নগাঁৱত সংবিধান নিৰ্মাতা আম্বেডকাৰক শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** কালি আছিল স্বাধীনতা সেনানী, দলিত অধিকাৰৰ নেতা, সংবিধান নিৰ্মাতা, ভাৰতৰত্ন বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰৰ মৃত্যুতিথি। প্ৰতিবছৰে পুণ্যতিথিত দল-সংগঠনে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি মহান নেতাগৰাকীক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেনেদৰে পুণ্য দিনটোত ভীমৰাও আম্বেদকাৰৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে। ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি সংবিধান প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰক স্মৰণ কৰে সংগঠনটোৱে। অনুসুচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেবাখনো জিলা সমিতি আৰু আঞ্চলিক সমিতিয়ে পৃথকে পৃথকে বিভিন্ন কাৰ্যসূচী ৰূপায়ন কৰি আম্বেদকাৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। ধেমাজি জিলাৰ গোগামুখ চাৰআলিত সদৌ অসম কৈৱৰ্ত যুৱ সন্মিলন আৰু অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদে বিশেষ কাৰ্যসূচীৰ আয়োজন কৰে। গোগামুখ চাৰআলিৰ মাজমজিয়াত আম্বেদকাৰৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কাৰ্যসূচীত দুয়োটা সংগঠনৰ কেবাগৰাকী নেতা-কৰ্মী উপস্থিত থাকে। নগাঁৱৰ আম্বেদকাৰ ভৱনতো কাৰ্যসূচীৰ আয়োজন কৰা হয়। আম্বেদকাৰ ভৱনস্থিত আৱক্ষ প্ৰতিমূৰ্তিত অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ নেতা-কৰ্মীয়ে পুষ্পাঞ্জলি অৰ্পণ কৰি সংবিধান প্ৰণেতা ড০ ভীমৰাও আম্বেদকাৰক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ কেন্দ্ৰীয় সভাপতি সঞ্জীৱ দাসে সংবিধান নিৰ্মাতা, ভাৰতৰত্ন বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সঞ্জীৱ দাসে কয় যে ভাৰতৰত্ন বাবাচাহেব ড০ ভীমৰাও আম্বেদকাৰ ডাঙৰীয়াই সংবিধানত দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিয়ে যাতে সম-অধিকাৰ লাভ কৰে তাৰ ব্যৱস্থা সংবিধানত কৰি গৈছে। কিন্তু দেশৰ চৰকাৰে দলিত, আদিবাসী, অনুসূচিত জাতি-জনজাতিক সদায়েই অধিকাৰৰ পৰা বঞ্চিত কৰি ড০ ভীমৰাও আম্বেদকাৰ ডাঙৰীয়াৰ লক্ষ্য আৰু আদৰ্শক পদাঘাত কৰি গৈছে। আমি চৰকাৰৰ এনে বৈষম্যমূলক নীতিৰ বিৰুদ্ধে যুঁজিবই লাগিব। চৰকাৰে সমাজৰ পিছপৰা লোকৰ উন্নয়নৰ চিন্তা কৰিব লাগে। সংবিধান আমাৰ মূল বুলি কৈ দাসে কয় যে ড০ ভীমৰাও আম্বেদকাৰৰ লক্ষ্য আৰু আদৰ্শ আছিল সমাজত বৰ্ণ বৈষম্য, লাঞ্চিত-বঞ্চিতসকলক অধিকাৰ দিয়া। কিন্তু চৰকাৰে আজি অধিকাৰ কাঢ়িহে নিছে। অসমৰ উদাহৰণ দি সঞ্জীৱ দাসে কয় যে অনুসূচিত জাতিৰ হকে ৰূপায়ন কৰা ১৪০ কোটি টকীয়া টিভি-পাকঘৰৰ সামগ্ৰী বিতৰণ আঁচনিৰ ভয়ংকৰ কেলেংকাৰী হ'ল কিন্তু সেই কেলেংকাৰীৰ তদন্ত নহ'ল। অসমৰ অনুসূচিত জাতিৰ লোকক উপযুক্ত শিক্ষা, স্বাৱলম্বী হ'ব পৰাকৈ আঁচনি দিয়াৰ ব্যৱস্থা কৰাৰ কথা কৈ আহিছো। কিন্তু চৰকাৰে অনুসূচিত জাতিক বাৰে বাৰে উপলুঙা, উপহাস কৰি আহিছে। কৰ্ম কৰি খাব পৰাকৈ আমাৰ যুৱকসকলক ৫ৰ পৰা ৫০ লাখ টকাকৈ এককালীন সাহায্য দি ব্যৱসায়, উদ্যোগ আদি আৰম্ভ কৰিব পৰাকৈ আঁচনি দিয়ক।

# পীযুষ হাজৰিকাই মৰিগাঁও জিলাৰ গৌৰৱ আখ্যা দিলে লোকসেৱা আয়োগৰ পৰীক্ষাত উৰ্ত্তীণ দুই কৃতিক

**ই-সংবাদ, মৰিগাঁও, ৭ ডিচেম্বৰঃ** অসম লোকসেৱা আয়োগৰ পৰীক্ষাৰ সদ্যঘোষিত ফলাফলত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা মৰিগাঁও জিলাৰ ত্ৰিদীপ ডেকা আৰু ঋতুপৰন বৰাক জিলাখনৰ গৌৰৱ আখ্যা দিছে অসম চৰকাৰৰ জলসম্পদ, জনসংযোগ মন্ত্ৰী পীযুষ হাজৰীকাই। এই সম্পৰ্কত মন্ত্ৰী হাজৰীকাই প্ৰকাশ কৰে যে, উক্ত যুৱকদ্বয়ে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত স্থান লাভ কৰি সমগ্ৰ জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিছে। তেওঁলোকৰ এই সাফল্য নৱপ্ৰজন্মৰ বাবে অনুপ্ৰেৰণাৰ উৎস। মই তেওঁলোকৰ উজ্জ্বল ভৱিষ্যত কামনা কৰাৰ লগতে আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছো। উল্লেখ্য যে, সদ্য ঘোষিত এই ফলাফলত জিলাখনৰ হাতীয়ামুখ গাঁৱৰ ত্ৰিদীপ ডেকাই অসম অসামৰিক সেৱাৰ ১৫ সংখ্যক স্থান লাভ কৰাৰ লগতে মৰিগাঁও চহৰৰ ফুলবাৰীৰ ঋতুপৰন বৰাই সমবায় সমিতিসমূহৰ সহকাৰী পঞ্জীয়ক পদত চতুৰ্থ স্থান লাভ কৰে। যুৱকদ্বয়ৰ এনে সফলতাত হাতীয়ামুখ আৰু ফুলবাৰীৰ লগতে ঋতুপৰন বৰাৰ পৰিয়ালটো মূলতঃ জাগী গাঁৱৰ হোৱা হেতু ঐতিহাসিক জাগী অঞ্চলতো আনন্দৰ লহৰ উঠিছে। আনহাতে, মৰিগাঁও জিলা সাংবাদিক সংস্থায়ো এই সফলতাৰ বাবে যুৱকদ্বয়ক অভিবাদন জনাইছে।

# স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত 'আপ'ৰ অৱস্থান ধৰ্মঘট

**ই-সংবাদ, গুৱাহাটী, ৭ ডিচেম্বৰঃ** এপিডিচিএলৰ স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত আজি আম আদমী পাৰ্টিয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচী পালন কৰে। আপৰ কামৰূপ মহানগৰ জিলা সমিতিৰ উদ্যোগত ডিমৰীয়াত আপৰ শতাধিক প্ৰতিবাদী নেতা-কৰ্মীয়ে ধৰ্মঘট কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ডিমৰীয়াৰ ডিগাৰু গাঁও পঞ্চায়তৰ অন্তৰ্গত টপাতলিত আপৰ ৰাজ্যিক উপ-সভাপতি অনুৰূপা ডেকাৰজা, যুৱশক্তিৰ তত্বাৱধায়ক ৰুদ্ৰাংকুৰ হাজৰিকা, দলৰ কামৰূপ মহানগৰ জিলা সমিতিৰ সভাপতি নৃপেন খাখলাৰীৰ নেতৃত্বত বিদ্যুত মাচুল হ্ৰাস কৰাৰ লগতে স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰৰ দাবীত ৰূপায়ণ কৰে অৱস্থান ধৰ্মঘট কাৰ্যসূচী। উল্লেখ্য যে আপৰ ৰাজ্যিক কাৰ্যনিৰ্বাহকৰ সিদ্ধান্ত অনুসৰি ৰাজ্যৰ সকলো জিলাতে দলীয় কৰ্মীসকলে এপিডিচিএলৰ প্ৰিপেইড স্মাৰ্ট মিটাৰৰ বিৰুদ্ধে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আজি ডিমৰীয়াত অনুষ্ঠিত কাৰ্যসূচীত আপৰ স্থানীয় কৰ্মকৰ্তাসকলৰ উপৰি ৰাজ্যিক নেতৃবৃন্দই অংশগ্ৰহণ কৰে। প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰাসকলৰ ভিতৰত দলৰ সামাজিক মাধ্যমৰ ৰাজ্যিক সমন্বয়ক তাৰিক চৌধুৰী, ৰাজ্যিক যুটীয়া সম্পাদক জয়ন্ত শইকীয়া, দিতুল বৰুৱা, প্ৰবীণ চন্দ্ৰ শৰ্মা, মহিলা নেত্ৰী অলকানন্দা ডেকা অন্যতম।

# কামৰূপ জিলাত কিশোৰী-ছাত্ৰীসকলৰ বাবে মানসিক স্বাস্থ্য, কেৰিয়াৰ কাউন্সিলিং সম্পৰ্কীয় জিলা পৰ্যায়ৰ কাৰ্যসূচী

**ই-সংবাদ, গুৱাহাটী, ৭ ডিচেম্বৰঃ** ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগ আৰু কামৰূপ জিলা প্ৰশাসনৰ উদ্যোগত বেটি বচাও বেটি পঢ়াও আঁচনিৰ অধীনত আজি ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীত কামৰূপ জিলাৰ কিশোৰী-ছাত্ৰীসকলৰ বাবে মানসিক স্বাস্থ্য আৰু পৰিচ্ছন্নতা, কেৰিয়াৰ কাউন্সিলিং, ছফট স্কিল আৰু লাইফ স্কিল সন্দৰ্ভত এক জিলা ভিত্তিক কাৰ্যসূচী অনুষ্ঠিত হয়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান, গুৱাহাটীৰ ড০ ভূপেন হাজৰিকা প্ৰেক্ষাগৃহত অনুষ্ঠিত আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মহিলা আৰু শিশু বিকাশ বিভাগৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহু, সমগ্ৰ শিক্ষা অভিযান, অসমৰ মিছন সঞ্চালক ড০ ওম প্ৰকাশ, কামৰূপ জিলাৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মহিলা আৰু শিশু বিকাশ বিভাগৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ চাহুৱে কিশোৰীসকলৰ মানসিক স্বাস্থ্য উন্নত কৰা, কেৰিয়াৰ পৰামৰ্শৰে এক সঠিক কেৰিয়াৰ বাছনিত সহায় কৰা আৰু তেওঁলোকক ছফ্ট স্কিল আৰু লাইফ স্কিল সম্পৰ্কে সজাগ কৰাৰ বাবে মহিলা আৰু শিশু বিকাশ বিভাগ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ আৰু শিক্ষা বিভাগে যুটীয়াভাৱে বেটি বচাও বেটি পঢ়াও আঁচনিৰ অধীনত ৰাজ্যজুৰি সজাগতা সৃষ্টিৰ বাবে কাম কৰি আহিছে বুলি উল্লেখ কৰে। মহিলা সবলীকৰণৰ বাবে মানসিকতা পৰিৱৰ্তনৰ বিভিন্ন দিশ সামৰিও কাৰ্যসূচী হাতত লোৱা হৈছে বুলি উল্লেখ কৰি প্ৰধান সচিবগৰাকীয়ে ছাত্ৰীসকলৰ মানসিক স্বাস্থ্য উন্নত কৰাৰ বাবে শাৰীৰিক সক্ৰিয়তা, সন্তুলিত আহাৰ, পৰ্যাপ্ত টোপনিৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। একেদৰে তেওঁ ভাষণ প্ৰসংগত বৰ্তমানৰ যুগত সামাজিক মাধ্যমে ছাত্ৰী-কিশোৰীসকলৰ মানসিক স্বাস্থ্যত বহুখিনি ইতিবাচক আৰু নেতিবাচক প্ৰভাৱ পেলাই আহিছে বুলিও উল্লেখ কৰে। সভাত ভাষণ প্ৰদান কৰি সমগ্ৰ শিক্ অভিযান, অসমৰ মিছন সঞ্চালক ড০ ওম প্ৰকাশে ছাত্ৰ-ছাত্ৰীসকলে কেৰিয়াৰ বাছনিত সহায়ক হোৱাকৈ সমগ্ৰ শিক্ষা অভিযান, অসমে হাতত লোৱা কেৰিয়াৰ কাউন্সিলিং সম্পৰ্কীয় কাৰ্যসূচীৰ বিস্তৃত ব্যাখ্যা আগবঢ়াই ছাত্ৰীসকলক কেৰিয়াৰ কাউন্সিলিং সম্পৰ্কীয় কাৰ্যসূচীসমূহ নিয়মীয়াকৈ চাবলৈ আহ্বান জনায়। অনুষ্ঠানত আদৰণি ভাষণ প্ৰদান কৰি জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই আজিৰ ছাত্ৰী-কিশোৰীসকলে ভৱিষ্যতে জীৱনত এক সবল ভূমিকা পালন কৰিবলৈ হ'লে তেওঁলোকৰ বাবে সুৰক্ষা আৰু শিক্ষা অপৰিহাৰ্য বুলি উল্লেখ কৰে। তেওঁ এই কাৰ্যসূচীৰ জৰিয়তে ছাত্ৰীসকলে মানসিক স্বাস্থ্য গঢ়া, কেৰিয়াৰ গঠন আৰু ছফ্ট আৰু লাইফ স্কিলৰে নিজকে সাজু কৰি তোলাৰ দিশত বহুখিনি সহায় পাব বুলি আশা প্ৰকাশ কৰে। মহিলা আৰু শিশু বিকাশ বিভাগৰ সংকল্পঃ জিলা মহিলা সবলীকৰণ কেন্দ্ৰ, কামৰূপৰ উদ্যোগত অনুষ্ঠিত আজিৰ অনুষ্ঠানত কামৰূপৰ সমগ্ৰ শিক্ষা অভিযানেও সহযোগিতা আগবঢ়ায়। আজিৰ অনুষ্ঠানত কামৰূপ জিলাৰ প্ৰায় ২০০ খন বিদ্যালয়ৰ নৱম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ ছাত্ৰী আৰু মহাবিদ্যালয়ৰ ছাত্ৰীকে ধৰি প্ৰায় ৪৫০ গৰাকী ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত মনোৰোগ বিশেষজ্ঞ ডাঃ জয়ন্ত দাস, কেৰিয়াৰ পৰামৰ্শদাতা ড০ বুলজিত বুঢ়াগোঁহাই আৰু ছফ্ট স্কিল, লাইফ স্কিলৰ পৰামৰ্শদাতা অঞ্জন চৌধুৰীয়ে সমল ব্যক্তিৰূপে উপস্থিত থাকি মানসিক স্বাস্থ্য আৰু পৰিচ্ছন্নতা, কেৰিয়াৰ পৰামৰ্শ আৰু ছফ্ট স্কিল আৰু লাইফ স্কিল সন্দৰ্ভত ছাত্ৰীসকলৰ আগত ব্যাখ্যা আগবঢ়ায়। আজিৰ অনুষ্ঠানত কামৰূপ জিলাৰ অতিৰিক্ত জিলা আয়ুক্তদ্বয় ক্ৰমে প্ৰণৱ দত্ত গোস্বামী আৰু সুজাতা গগৈ, জিলা সমাজ কল্যাণ বিষয়া ভূপেন ভট্টাচাৰ্য, বিদ্যালয়সমূহৰ পৰিদৰ্শক তপন কলিতা, সমাজকৰ্মী সুজাতা মিশ্ৰ আৰু অন্যান্য কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

# গোৰেশ্বৰত চিপি আই(এম)ৰ প্ৰথম তামুলপুৰ জিলা সম্মিলন অনুষ্ঠিত

**ই-সংবাদ, গোৰেশ্বৰ, ৭ ডিচেম্বৰঃ** বিজেপি নেতৃত্বাধীন অসম চৰকাৰখনে প্ৰতিবাদী আন্দোলনৰ ভাষা বুজি নেপায়। প্ৰতিবাদী কবিতা লিখা কবিক আৰু মুখ্যমন্ত্ৰীৰ ব্যংগ চিত্ৰ অংকন কৰা শিল্পীক জে'লত ভৰাই থয়। অসম চৰকাৰখন সম্পূৰ্ণ অগণতান্ত্ৰিক। গুৱাহাটীত চৰকাৰৰ বিৰুদ্ধে কোনোৱে প্ৰতিবাদ কৰিব নোৱাৰে।- এই ব্যক্তব্য চি পি আই(এম)দলৰ ৰাজ্যিক সমিতিৰ সাধাৰণ সম্পাদক সুপ্ৰকাশ তালুকদাৰৰ। আজিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে চি পি আই(এম)ৰ তামুলপুৰ জিলা সমিতিৰ প্ৰথম জিলা সন্মিলন উপলক্ষে আজি আবেলি গোৰেশ্বৰস্থিত কলাগুৰু বিষ্ণু ৰাভা ভৱনৰ প্ৰাংগণত অনুষ্ঠিত মুকলি সভাত মুখ্য বক্তা হিচাপে উপস্থিত থাকি তালুকদাৰে ভাষণৰ আৰম্ভণিতেই চি পি আই(এম)ৰ দলটোৰ সাংগঠনিক ভেটি মজবুত কৰাৰ ক্ষেত্ৰত গোৰেশ্বৰ অঞ্চলবাসীয়ে লোৱা ভূমিকাৰ কথা আলোকপাত কৰি কয় যে বিজেপি নেতৃত্বাধীন চৰকাৰ তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই গৰীব-দুখীয়া, মেহনতি মানুহৰ জ্বলন্ত সমস্যা গাপ দি ৰখাৰ অভিপ্ৰায়েৰে হিন্দু-মুছলমানৰ ৰাজনীতি কৰি আহিছে। এইবাৰ আকৌ গো-মাংস নিষিদ্ধকৰণত লাগিছে। গো-মাংস নিষিদ্ধ কৰিলে মুছলমান মানুহৰ লোকচান নহয়। বেছি লোকচান হ'ব হিন্দু মানুহৰ। এইখন চৰকাৰৰ মানুহৰ কাৰণে কৰিব লগীয়া যেন একো নাই। খাদ্যৰ ওপৰত লাগিছে। তেওঁ আৰু কয় যে বিটিএডত বিপিএফ আৰু ইউপিপি এল শাসন কৰিলে। বিটিআৰতো মিত্ৰতাৰ পৰিষদীয় চৰকাৰ চলি আছে। বিটিআৰৰ সাধাৰণ বড়ো মানুহৰ একো উন্নয়ন হোৱা দেখা নাই। ৭ শতাধিক লোকৰ উপস্থিতিত অনুষ্ঠিত কৃষক নেতা কৰুণা ভূঞাৰ পৰিচালনাত অনুষ্ঠিত মুকলি সভাত মুখ্য বক্তা তালুকদাৰে আৰু কয় যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অৱস্থা ভাল নহয়। নিজৰ ৰাজ্যৰ নিৰ্বাচন এৰি ঝাৰখণ্ডত নিৰ্বাচনী প্ৰচাৰ চলাবলৈ গৈ বাহৰ পাতি আছিল। ফলাফল কি হ'ল ৰাইজে গম পালে। সভাত তালুকদাৰে যোগান বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসকো সমালোচনাৰ লক্ষ্য কৰি লয় আৰু তেওঁক এগৰাকী ব্যৰ্থ যোগান মন্ত্ৰী বুলি অভিহিত কৰে। ৰাইজে আজিকালি মন্ত্ৰী দাসক নিমখ মন্ত্ৰী আৰু মুখ্যমন্ত্ৰী ড০ শৰ্মাক ফ্লাই অভাৰ মন্ত্ৰী বুলি ক'বলৈ লৈছে বুলি উল্লেখ কৰে। একমাত্ৰ কমিছনৰ অংশত ফ্লাই অভাৰ নিৰ্মাণ কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰে তালুকদাৰে। ভাষণত তালুকদাৰে কয় যে ষষ্ঠ অনুসূচী এলেকাত বাহিৰৰ মানুহে মাটি কিনিব নোৱাৰাৰ কথাটো সকলোৱে জানে। কিন্তু আদানিক দিয়াৰ বাবে মাটি ওলায়। বসুন্ধৰাৰ জৰিয়তে মাটি ক'ত আছে সেয়া চাই ল'লে। প্ৰলোভনৰ ৰাজনীতিৰে বিজিপিয়ে শাসনত বহাৰ চেষ্টা কৰি আহিছে বুলি তেওঁ কয়। শিক্ষাৰ প্ৰসংগ উত্থাপন কৰি কয় যে বিগত ৮বছৰত অসমত দহ হাজাৰ স্কুল বন্ধ হ'ল। কেৰেলাত বেচৰকাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰী আজি চৰকাৰী স্কুললৈ ঢাপলি মেলিছে, অসমত আকৌ ওলোটা হৈছে। বিজেপি বিৰোধী ঐক্যৰ পোষকতা কৰি অনাগত দিনত ফেচিষ্ট, সাম্প্ৰদায়িক আৰু পুঁজিপতি গোষ্ঠীৰ ৰক্ষক বিজেপি নেতৃত্বাধীন চৰকাৰক গাদীচ্যুত কৰিবলৈ সকলোকে ঐক্যবদ্ধ হ'বলৈ আহবান জনায় চি পি আই(এম)ৰ নেতা তালুকদাৰে। জিলা সম্পাদক বাপুৰাম বড়োৱে আঁত ধৰা সভাত চি পি আই(এম)ৰ সম্পাদক মণ্ডলীৰ সদস্য নিৰংকুশ নাথে কয় যে ৰাজ্য আৰু দেশৰ উন্নতিৰ বিচাৰিলে ৰক্ত পতাকা হাতত ল'ব লাগিব। ৰাজনীতি যদি হ'ব লাগে সাধাৰণ মানুহক লৈ হ'ব লাগে। বিজেপি আম্বানি-আদানিৰ দল। আজি ভাৰতবৰ্ষৰ উন্নত ৰাজ্যত চি পি আই(এম)ৰ নেতৃত্বাধীন চৰকাৰৰ শাসন চলি আছে। আন এগৰাকী বক্তা তামুলপুৰ জিলাৰ তত্ত্বাবধায়ক টিকেন দাসে কয় যে ডাৱল ইঞ্জিনৰ চৰকাৰৰ দিনত অত্যাধিক মূল্যবৃদ্ধি হৈছে। অসম চৰকাৰে চাকৰি দিয়াৰ কথা কৈছে যদিও আনফালে বহুতো চাকৰি নাইকিয়াও কৰিছে। আদানি-আম্বানিৰ ব্যৱসায় গাঁওলৈ সম্প্ৰসাৰণ কৰি গাঁৱৰ ক্ষুদ্ৰ ব্যৱসায়ীক ভাতে মৰাৰ ষড়যন্ত্ৰ কৰিছে। বিজেপিয়ে প্ৰতিশ্ৰুতি দিয়ে কিন্তু পালন নকৰে। বসুন্ধৰাৰ আঁচনি ৫৭ শতাংশ আবেদন নাকচ কৰিছে। কৃষকে উৎপাদিত ফচলৰ মূল্য দিব লাগিব বুলিও দাবী উত্থাপন কৰে চি পি আই(এম)ৰ নেতা দাসে। অভ্যৰ্থনা সমিতিৰ সভাপতি অজিত তালুকদাৰে আদৰণি ভাষণ দিয়া সভাত চি পি আই(এম)ৰ ৰাজ্যিক সম্পাদকমণ্ডলীৰ সদস্য অজিত দাস কয় যে ফ্লাই অভাৰ-ৰাস্তা ঘাট বনাই অসমখন উন্নতি হোৱা বুলি দাবী কৰিছে অসম চৰকাৰে। কিন্তু মানুহৰ কি উন্নয়ন হৈছে। আজি মূল্যবৃদ্ধিৰ বাবে মানুহে খাদ্য তালিকা চুটি কৰিব লগা হৈছে। নিবনুৱা সমস্যাই ভয়াৱহ ৰূপ লৈছে। অসমৰ পৰা বহিঃ ৰাজ্যত গৈ শিক্ষিত যুৱক-যুৱতীয়ে পেটৰ তাড়নাত কাম কৰিব লগা হৈছে। ৰাজ্যখনৰ মানুহক বাদ দি যদি উন্নয়ন হৈছে একমাত্ৰ মুখ্যমন্ত্ৰীৰ পৰিয়ালৰ হৈছে। ভাষণত বাংলাদেশ আৰু শ্ৰীলংকাত অত্যাচাৰী চৰকাৰক খেদি পঠোৱাৰ বাবেই যি পৰিস্থিতিৰ সৃষ্টি হৈছিল, ভাৰতবৰ্ষতো এনে পৰিৱেশৰ সূচনা হ'ব বুলি কোৱাৰ লগতে গৰীৱ মানুহৰ ঐক্যই হৈছে মূল কথা বুলি কয়। মুকলি সভাত উপস্থিত থাকি প্ৰাক্তন সাংসদ তথা চি পি আই(এম)ৰ বৰ্ষীয়ান নেতা উৰ্দ্ধৱ বৰ্মনে চমুকৈ দিয়া ভাষণত বিজেপি নেতৃত্বাধীন চৰকাৰে য'তে হাত দিছে তাতেই ধ্বংস হৈছে বুলি উল্লেখ কৰি কয় যে বিজিপি চৰকাৰখন ধনী মানুহৰ বাবে থকা চৰকাৰ। ধনী মানুহে দোষ কৰিলে মাফ হয়। গতিকে বিজেপিক ওফৰাবলৈ সকলো ঐক্যবদ্ধ হ'ব লাগিব। সংগঠনৰ শক্তি বৃদ্ধিত গুৰুত্ব আৰোপ কৰি প্ৰাক্তন সাংসদ বৰ্মনে সাধাৰণ মানুহৰ পৰিৱৰ্তে উন্নয়ন বিজেপিৰ কেইজনমান মানুহৰ উন্নয়ন হোৱা বুলি অভিযোগ কৰে। দুপৰীয়া ১২ বজাত প্ৰাক্তন সাংসদ উৰ্দ্ধৱ বৰ্মনে ৰক্ত পতাকা উত্তোলনৰে সন্মিলনৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পিছতেই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰে চিপিআই(এম)ৰ ৰাজ্যিক সম্পাদক সুপ্ৰকাশ তালুকদাৰ আদিকে ধৰি একাধিক দলীয় নেতা-কৰ্মীয়ে। সন্ধিয়া ৫ বজাৰ পৰা গোৰেশ্বৰস্থিত কলাগুৰু বিষ্ণুৰাভা ভৱনত প্ৰতিনিধি সভা অনুষ্ঠিত হয়।

# নামতিত বন্ধু বিদ্যালয় শীৰ্ষক বৰ্ণাঢ্য অনুষ্ঠান সম্পন্ন

**ই-সংবাদ, গেলেকী, ৭ ডিচেম্বৰঃ** কেন্দ্ৰীয় চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ 'নতুন শিক্ষানীতি-২০২০' অনুসৰি ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক-মানসিক বিকাশৰ উদ্দেশ্যেৰে সমগ্ৰ ভাৰতবৰ্ষতে ৰূপায়ণ হৈ থকা 'বন্ধু বিদ্যালয়' শীৰ্ষক কাৰ্যসূচী বৃহস্পতিবাৰে নাজিৰা শিক্ষাখণ্ডৰ অন্তৰ্গত ১৯৬ নং নামতি বঙালী প্ৰাথমিক বিদ্যালয়ৰ আতিথ্যত আৰু ন-পুখুৰী বনুৱা প্ৰাথমিক বিদ্যালয়ৰ সহযোগত অনুষ্ঠিত হৈ যায়। এই উপলক্ষে পুৱা স্বচ্ছতা অভিযান বিদ্যালয়ৰ পতাকা উত্তোলন, অতিথি বৰণ আদি কাৰ্যসূচী সমাপন হৈ যোৱাৰ পাছতে স্থানীয় ৰাইজৰ উপস্থিতিত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পৰম্পৰাগত খেল-ধেমালিৰ সমান্তৰালভাৱে কিছুসংখ্যক বৌদ্ধিক ক্ৰিয়াকলাপৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এশ মিটাৰ দৌৰ, শ্বটফুট, দীঘল জাপ, ওখ জাপ, কাবাডী, ৰছী টনা, কুকুৰা যুঁজ, পাৰ-পানী, কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, মানসিক আত্মনিয়োগ সক্ষমতা, চিত্ৰাংকন আদি প্ৰতিযোগিতাত দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰশংসনীয় পাৰদৰ্শিতা প্ৰদৰ্শন কৰে। বিয়লিৰ ভাগত শিক্ষক জয়ন্ত কুমাৰ চুতীয়াই আঁত ধৰা 'বিশেষ কৃতিত্বদায়িনী সভা'ত পৌৰোহিত্য কৰে স্থানীয় বৈষ্ণৱ পণ্ডিত তথা সমাজ সেৱক যোগেন হাজৰিকাই। মণ্ডল সমল কেন্দ্ৰ সমন্বয়ক চিদানন্দ গগৈ, প্ৰধান শিক্ষক যোগানন্দ বৰা, তুলতুল কোৰৰ, দিপ্তী শইকীয়া, বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিদ্বয় ৰমেন হাজৰিকা, সন্তোষ কৰ্মকাৰ, উপস্থিত থাকে।

# বিধায়ক লৰেঞ্চক সভাপতি হিচাপে লৈ কোকৰাঝাৰ জিলা ইউপিপিপিএলৰ কমিটি গঠন

**ই-সংবাদ, কোকৰাঝাৰ, ৭ ডিচেম্বৰঃ** কোকৰাঝাৰ জিলা ইউপিপিএলৰ পূৰ্ণংগ কমিটি গঠনৰ উদ্দেশ্যৰে আজি হল্টুগাঁৱত ইউপিপিএলৰ এখন সাধাৰণ সভা আয়োজিত হয়। কোকৰাঝাৰ পূৱ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা উক্ত সাধাৰণ সভাতে কোকৰাঝাৰ জিলা ইউপিপিএলৰ ৫১ জনীয়া পূৰ্ণাংগ কমিটিখন গঠন কৰা হয়। লৰেঞ্চ ইছলাৰীক সভাপতি, সুৰষ মুছাহাৰীক সাধাৰণ সম্পাদক (প্ৰশাসনিক) আৰু অমুল্য সূত্ৰধাৰক সাধাৰণ সম্পাদক (কাৰ্যালয়) হিচাপে লৈ জিলা ইউপিপিএলৰ ৫১ জনীয়া পূৰ্ণাংগ কমিটিখন গঠন কৰা হয়। কমিটি গঠনৰ অন্তত একেদিনাই শপত গ্ৰহণ অনুষ্ঠানো সম্পন্ন হয়। নৱনিৰ্বাচিত সদস্যসকলক শপতবাক্য পাঠ কৰায় ইউপিপিএলৰ কেন্দ্ৰীয় সমিতিৰ সম্পাদক অৰুণ ৰায়ে। আজিৰ অনুষ্ঠানত লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী সহিতে আন কেবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত আছিল। জিলা ইউপিপিএলৰ সভাপতি হিচাপে শপত গ্ৰহণ কৰি বিধায়ক লৰেঞ্চ ইছলাৰীয়ে আগন্তুক কাৰ্যকালৰ বাবে সততা আৰু নিষ্ঠাৰে কাম কৰি যাবলৈ সকলোৰে পৰা আশীৰ্বাদ বিচাৰে। প্ৰমোদ বড়োৰ নেতৃত্বত ইউপিপিএল দলে শান্তি -উন্নয়ন আৰু প্ৰগতিৰ হকে কাম কৰি আছে আৰু সকলোৰে দলটোক আদৰি লৈছে বুলি মন্তব্য কৰে। অনাগত সময়ছোৱাত ইউপিপিএল দল অধিক শক্তিশালি হ'ব বুলি মন্তব্য প্ৰকাশ কৰি তেওঁ কৰ্মকৰ্তালৈ ধন্যবাদ জ্ঞাপন কৰে।

## চামগুৰিত ড্ৰাগছসহ এজন আৰক্ষীৰ জালত

**ই-সংবাদ, পুৰণিগুদাম, ৭ ডিচেম্বৰঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি পুৱা চামগুৰি অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ এজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে এক গোপন খবৰৰ ভিত্তিত আজি দিনৰ প্ৰায় ১০.৩০ মান বজাত চামগুৰিৰ তেল ডিপোৰ সমীপৰ দলঙৰ কাষৰ এৰা কলং সুঁতিপাৰত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে ৫ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰসহ অহিদুল ইছলাম নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰিবলৈ সক্ষম হয়। ধৃত সৰবৰাহকাৰীজনৰ ঘৰ সোণাৰিবালিত।

## গো-মাফিয়ালৈ গুলী চলালে হোজাই আৰক্ষীয়ে

**ই-সংবাদ, মোৰাঝাৰ, ৭ ডিচেম্বৰঃ** হোজাইত যোৱা নিশা শংকৰদেৱ নগৰত গৰু মাফিয়া আৰু আৰক্ষীৰ মাজত সংঘাতৰ সৃষ্টি হয়। জানিব পৰা মতে, উদালি দিশৰ পৰা অহা এখন ছুইফ্ট বাহনত গৰু মাফিয়াৰ দলটো আছিল। বাহনখনত উঠাই আনিছিল এটা গৰু। আৰক্ষীয়ে বাহনখন ৰখাৰ সংকেত দিয়াৰ সময়ত বাহনখনে বেৰিকেড ভাঙি পলাবলৈ চেষ্টা চলায় যদিও আৰক্ষীয়ে গুলীচালনা কৰি কৰায়ত্ত কৰে ৰূপহীৰ এটা গৰু সৰবৰাহকাৰীক। আৰক্ষীৰ গুলীত গুলীবৃদ্ধ হয় ৰূপহীৰ গৰু মাফিয়াটো। বৰ্তমান নগাঁৱত চিকিৎসাধীন হৈ আছে আহত আজাৰুল ইছলাম। মাফিয়াটোৰ পৰা 7.65 এম এম এটা পিষ্টল আৰু দুই জাঁই সক্ৰিয় গুলী উদ্ধাৰ হয়। এই ঘটনাক লৈ হোজাইত চাঞ্চল্যৰ সৃষ্টি হয়।

## বিটিচিৰ দুই পাৰিষদ ক্ৰমে ছাইখং, সজলৰ সিংহৰ শপত গ্ৰহণ

**ই-সংবাদ, কোকৰাঝাৰ, ৭ডিচেম্বৰঃ** বিটিচিৰ দুই পাৰিষদ ক্ৰমে ১৩ নং চিৰাং সমষ্টিৰ ছাইখং বসুমতাৰী আৰু শ্ৰীৰামপুৰ সমষ্টিৰ সজল কুমাৰ সিংহই আজি সংবিধানৰ নিয়মানুসৰি বিটিচিৰ কাৰ্যবাহী সদস্য হিচাপে গোপনীয়তাৰ শপত বাক্য পাঠ কৰে। এই উপলক্ষে আজি কোকৰাঝাৰ সদৰ চহৰৰ নিকটৰ বড়োফা নগৰস্থিত বড়োলেণ্ড প্ৰাদেশীয় বিধানসভা ভৱনত আয়োজিত হোৱা এক কাৰ্যসূচীৰ জৰিয়তে কাৰ্যবাহী সদস্যদ্বয় ক্ৰমে ছাইখং বসুমতাৰী আৰু সজল কুমাৰ সিংহক কাৰ্যভাৰ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰায় বিটিচিৰ প্ৰধান সচিব আকাশদ্বীপে। ইপিনে অনুষ্ঠানৰ অন্তত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে সংবাদমাধ্যমৰ আগত কয় যে আজি বিটিচি কাৰ্যবাহী পৰিষদত ছাইখং বসুমতাৰী আৰু সজল কুমাৰ সিংহ নতুনকৈ অন্তৰ্ভুক্ত হ'ল আৰু তেওঁলোক দুয়োজনকে শুভেচ্ছা প্ৰদান কৰে। এটা বছৰ বাকী থকাত বিটিচিৰ কাৰ্যবাহী পৰিষদত পুণৰাই দুজন পাৰিষদ সংযোজন হোৱাত কাৰ্যবাহী পাৰিষদখন অধিক শক্তিশালী হ'ল আৰু কামকাজ সূচাৰুৰূপে সম্পাদন কৰিব পৰা যাব বুলি মন্তব্য কৰে প্ৰমোদ বড়োৱে। তেওঁ কয়, বিগত চাৰিটা বছৰত যি স্মাৰ্ট, সেউজীয়া আৰু হিংসামুক্ত বিটিআৰ গঠনৰ সপোন আছিল সেয়া পুৰণ হৈছে। ১০ খন ষষ্ঠ অনুসূচীৰ ভিতৰত বিটিআৰখনেই শ্ৰেষ্ঠ বুলি বিবেচিত হৈ আহিছে। এই অঞ্চলত বিগত ৩০ -৪০ টা বছৰত ভালদৰে কামবোৰ হৈ উঠা নাছিল যদিও যোৱা চাৰিটা বছৰত কামবোৰ নিয়াৰিকৈ সম্পন্ন হৈছে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে কয় যে বিপিএফৰ ১৭ বছৰীয়া শাসনকালত কোনোধৰণৰ ভিচন আৰু মিচন নাছিল । আনহাতে বিটিচিৰ দুই কাৰ্যবাহী সদস্য ছাইখং বসুমতাৰী আৰু সজল কুমাৰ সিংহই প্ৰমোদ বড়োৰ প্ৰতি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছে । আজিৰ শপত গ্ৰহণ অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়ো, অধ্যক্ষ কাতিৰাম বড়ো, উপাধ্যক্ষ অভিৰাম মহানায়ক, লোকসভাৰ সাংসদ জয়ন্ত বসুমতাৰী, বিটিআৰ কাৰ্যবাহী সদস্য ক্ৰমে ৰঞ্জিত বসুমতাৰী, ড° নিলুৎ স্বৰ্গীয়াৰীকে ধৰি বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে । উল্লেখ্য যে যোৱা চাৰি ডিচেম্বৰত ৰাজভৱন সচিবালয়ৰ আয়ুক্ত সচিব মীনাক্ষী সুন্দৰমে বিটিচিৰ দুই পাৰুষদ ক্ৰমে ছাইখং বসুমতাৰী আৰু সজল কুমাৰ সিংহক কাৰ্যবাহী সদস্য হিচাপে ৰাজ্যপালৰ অনুমোদনৰ কথা সদৰি কৰি অসমৰ মুখ্য সচিবলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল আৰু দুয়োজন কাৰ্যবাহী সদস্যক গোপনীয়তাৰ শপতবাক্য পাঠ কৰাবলৈ বিটিচিৰ প্ৰধান সচিবক কৰ্তৃত্ব প্ৰদান কৰিছিল। সেইমৰ্মে আজি বড়োলেণ্ড প্ৰাদেশীয় বিধানসভা ভৱনত আয়োজিত হোৱা এক কাৰ্যসূচীৰ জৰিয়তে কাৰ্যবাহী সদস্যদ্বয় ক্ৰমে ছাইখং বসুমতাৰী আৰু সজল কুমাৰ সিংহক শপত বাক্য পাঠ কৰায় বিটিচিৰ প্ৰধান সচিব আকাশদ্বীপে।

## তামুলপুৰত অনুশাসনমূলক ব্যৱস্থা, কাৰ্যবিৱৰণী সম্পৰ্কীয় বৈঠক

**ই-সংবাদ, তামুলপুৰ, ৭ ডিচেম্বৰঃ** তামুলপুৰ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কালি চৰকাৰী চাকৰিয়ালৰ অনুশাসনমূলক ব্যৱস্থা আৰু কাৰ্যবিৱৰণী সন্দৰ্ভত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ অধ্যক্ষতাত এখনি সভা অনুষ্ঠিত হয়। অসম চৰকাৰৰ প্ৰাক্তন সচিব তথা অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া অতুল দত্ত ভূঞাই প্ৰেজেণ্টচনৰ জৰিয়তে চৰকাৰী চাকৰিয়ালৰ অনুশাসনমূলক বিভিন্ন বিষয় সন্দৰ্ভত বিতং ব্যাখ্যা আগবঢ়ায়। আজিৰ সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীৰ উপৰি অতিৰিক্ত আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বিভিন্ন বিভাগৰ বিষয়াসকল উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত এ চি এছ বিষয়া অতুল দত্ত ভূঞাৰ পুত্ৰ ৰাজদ্বীপ দত্ত ভূঞাও বৈঠকত উপস্থিত থাকে।

# ১০ ডিচেম্বৰত চানমাৰিত নাগৰিক সমাজৰ প্ৰতিবাদ

**ই-সংবাদ, গুৱাহাটী, ৭ ডিচেম্বৰঃ** প্ৰায় ডেৰ বছৰে ভাতৃঘাতী সংঘৰ্ষত অশান্ত হৈ আছে মণিপুৰ। ভাতৃঘাতী সংঘৰ্ষৰ ফলত এতিয়ালৈকে বহুজনে প্ৰাণ হেৰুৱাইছে। হাজাৰ হাজাৰ মানুহে ঘৰ-বাৰী হেৰুৱাই মাহৰ পিছত মাহ আশ্ৰয় শিবিৰত অবৰ্ণনীয় অৱস্থাত দিন কটাবলগা হৈছে। মানুহৰ স্বাভাৱিক জীৱন নোহোৱা হৈছে। কিন্তু এইক্ষেত্ৰত নিৰ্বিকাৰ কেন্দ্ৰ চৰকাৰ। মণিপুৰত শান্তি ঘূৰাই অনাত ব্যৰ্থ হৈছে কেন্দ্ৰ। আনকি, পৰিস্থিতিৰ বুজ ল'বলৈ মণিপুৰৰ এবাৰো নগ'ল প্ৰধানমন্ত্ৰী মোদী। মণিপুৰৰ প্ৰসংগত বিৰোধীয়ে বাৰে বাৰে আক্ৰমণ কৰাৰ পাছতো মৌনতা অৱলম্বন কৰিছে প্ৰধানমন্ত্ৰীয়ে। যাৰ বাবে মণিপুৰৰ জনসাধাৰণ লগত সমমৰ্মিতা প্ৰকাশ কৰি মণিপুৰলৈ শীঘ্ৰে স্বাভাৱিক অৱস্থা ঘূৰাই অনাৰ দাবীৰে ১০ ডিচেম্বৰত আন্তঃৰাষ্ট্ৰীয় মানৱ অধিকাৰ দিৱসৰ দিনা চানমাৰিৰ পূৰ গুৱাহাটী আদৰ্শ হাইস্কুল খেলপথাৰত আবেলি ২ বজাৰ পৰা ৩ বজালৈ মৌন প্ৰতিবাদী কাৰ্যসূচীৰ আহ্বান জনাইছে অসম নাগৰিক সমাজে। এক বিজ্ঞপ্তিযোগে কয় যে আমাৰ দেশ কেনেকৈ চলিছে তাৰ জ্বলন্ত উদাহৰণ হৈছে মণিপুৰ। ৰাষ্ট্ৰযন্ত্ৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানসমূহ সম্পূৰ্ণ হাত কৰি, বিভিন্ন কৌশলেৰে বিৰোধীৰ মাজত বিভাজন আনি আৰু অকল্পনীয় ধনবল ব্যৱহাৰ কৰি কেৱল নিৰ্বাচনত জিকাটোৱেই হৈ পৰিছে এতিয়া বিজেপিৰ ৰাজনীতি। তাৰ শেহতীয়া উদাহৰণ হাৰিয়ানা আৰু মহাৰাষ্ট্ৰ। সকলোৱে ভাবিছিল লোকসভা নিৰ্বাচনৰ ফলাফলে বিজেপিক কিছু বেকায়দাত পেলাব। কিন্তু নীতিশ কুমাৰ আৰু চন্দ্ৰবাবু নাইডুৰ সমৰ্থনত চলি থকা বিজেপি চৰকাৰখনে আগৰ দৰেই এতিয়া এফালৰ পৰা সকলো মহটিয়াই নিব ধৰিছে। আনহাতে, সাম্প্ৰদায়িক বিষবাষ্প, মূল্যবৃদ্ধি ,কৰ্ম-সংস্থানহীনতা আৰু আন হেজাৰটা সমস্যাই সাধাৰণ মানুহৰ জীৱন দুৰ্বিষহ কৰি তুলিছে।শাসকীয় দলৰ উচটনি আৰু আনমনা মনোভাবৰ বাবেই আজি মণিপুৰৰ এই অৱস্থা হেছে। কাইলৈ সেই অৱস্থা উত্তৰ-পূৰ্বাঞ্চলৰ অন্য ৰাজ্যলৈ যে বিয়পি নাযাব তাৰ কি নিশ্চয়তা আছে? বিকল্প বিৰোধী ৰাজনৈতিক দল, সাধাৰণ ৰাইজৰ ঐক্যবদ্ধ প্ৰচেষ্টাই সকলোকে মুক্তি দিব।

# অভিনেতা ৰেহাল খানক সম্বৰ্ধনা সৰকাৰ মেডিকেল গ্ৰুপৰ

**ই-সংবাদ, বিলাসীপাৰা, ৭ ডিচেম্বৰঃ** ধুবুৰী জিলাৰ বিলাসীপাৰাৰ অগ্ৰণী চিকিৎসা প্ৰতিষ্ঠান বিলাসীপাৰা সৰকাৰ মেডিকেল গ্ৰুপৰ তৰফৰ পৰা ধুবুৰী জিলাৰ গৌৰৱ অসমীয়া চলচ্চিত্ৰ 'জুমন সুমন', বলিউডৰ হিন্দী চিনেমা '18.11a code of Secretary'ৰ অভিনেতা ৰেহাল খানক অসমীয়া স্বাভিমান ফুলাম গামোচা আৰু জাপিৰে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অভিনেতা ৰেহাল খানৰ অসমীয়া চলচ্চিত্ৰ জগতত যথেষ্ট ভূমিকা থকাৰ লগতে সমান্তৰালকৈ বিভিন্ন সামাজিক কামত যথেষ্ট অৰিহণা থকাৰ বাবে অভিনেতাগৰাকীক সম্বৰ্ধনা জ্ঞাপন কৰে। তেওঁৰ সমান্তৰালকৈ বিলাসীপাৰাৰ যুৱ সমাজ সেৱক মোস্তাফিজুৰ ৰহমানকো বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে সৰকাৰ মেডিকেল গ্ৰুপে। অনাগত দিনবোৰত যাতে চলচ্চিত্ৰ জীৱন আৰু সামাজিক জীৱনত আগুৱাই যাব পাৰে তাৰেই কামনা কৰে সৰকাৰ মেডিকেল গ্ৰুপে। তেওঁলোকক সম্বৰ্ধনা জ্ঞাপন কৰাত ৰাইজে সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে সৰকাৰ মেডিকেল গ্ৰুপক ধন্যবাদ জ্ঞাপন কৰে। কাৰ্যসূচীত মেডিকেলৰ স্বত্বাধিকাৰী মকিবুৰ সৰকাৰ উপস্থিত থাকি সম্বৰ্ধনা জ্ঞাপন কৰে।

# শিৱসাগৰত ৰাইজৰ দলৰ ৰাজনৈতিক তৎপৰতা বৃদ্ধি, জাতীয় যুৱ বাহিনীৰ গঠন

**ই-সংবাদ, শিৱসাগৰ, ৭ ডিচেম্বৰঃ** পঞ্চায়ত আৰু বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে শিৱসাগৰত ৰাইজৰ দলে বৃদ্ধি কৰিছে তৎপৰতা। বিজেপিক প্ৰতিহত কৰিবলৈ ৰাইজৰ দলে দলটোৰ যুৱ সংগঠন জাতীয় যুৱ বাহিনীক অধিক সক্ৰিয় কৰি তুলিছে। তাৰেই অংশস্বৰূপে সাংগঠনিক দিশ সবল কৰিবলৈ উঠি পৰি লাগিছে ৰাইজৰ দল। শেহতীয়াকৈ কেইবাগৰাকীও কংগ্ৰেছী নেতাৰ দম্ভালি তথা অহংকাৰৰ বাবে বিৰোধী ঐক্যত একপ্ৰকাৰে ভাঙোন আহে। উপ নিৰ্বাচনৰ সময়ৰে পৰা বিধায়ক অখিল গগৈয়ে ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনত ৰাইজৰ দলে যাতে অতিকমেও ২০ খন আসন লাভ কৰে তাৰবাবে উজনি নামনিত সাংগঠনিক ভেটি শক্তিশালী কৰাত মনোনিৱেশ কৰে। অখিল গগৈৰ পৰিকল্পনা অনুসৰিয়েই শিৱসাগৰ সমষ্টিত ৰাইজৰ দলৰ সাংগঠনিক ভেটি অধিক শক্তিশালী কৰাৰ প্ৰস্তুতি চলিছে। সেইমৰ্মে আজি শিৱসাগৰ চহৰৰ কালী প্ৰসাদ সোৰঁণী ভৱনত জাতীয় যুৱ বাহিনীৰ বিশেষ সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। এই সভাতেই সমিতিখন গঠন কৰাৰ লগতে জাতীয় যুৱ বাহিনীৰ জিলা সমিতিখনৰো সম্প্ৰসাৰণ কৰা হয়। পাৰ্থ গগৈক



সভাপতি, ৰাতুল খাউণ্ডক কাৰ্যকৰী সভাপতি হিচাপে লৈ ৫০ জনীয়া জাতীয় যুৱ বাহিনীৰ শিৱসাগৰ সমষ্টি সমিতিখন গঠন কৰা হয়। ৰাইজৰ দলৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ৰণজীৎ তামুলী, জিলা সভাপতি মুনীন্দ্ৰ লাহনকে ধৰি বহু সংখ্যক বিষয়ববীয়া উপস্থিত থাকি জাতীয় যুৱ বাহিনীৰ বিশেষ সাধাৰণ সভাত বিজেপি চৰকাৰৰ বিৰুদ্ধে সৰৱ হৈ পৰে। তদুপৰি সমষ্টি সমিতিৰ সভাপতি জিতু জ্যোতি গায়ন আৰু ধৈৰ্য কোঁৱৰে চৰকাৰক ক্ষুৰধাৰ সমালোচনা কৰে। ধৈৰ্য কোঁৱৰ উপস্থিত থাকি মুখ্যমন্ত্ৰীক ফেচিষ্ট আখ্যাৰে সমালোচনা কৰে। ড° হিমন্ত বিশ্ব শৰ্মাই কেৱল ধৰ্মকলৈ ৰাজনীতি কৰাটো গণতন্ত্ৰৰ বাবে ভাবুকি বুলি সমালোচনা কৰে ধৈৰ্য কোঁৱৰে।

# নৱৰূপ ক্লাৱৰ উদ্যোগত বাপুকণ ট্ৰফী নৈশ ফুটবল

**ই-সংবাদ, ৭ ডিচেম্বৰঃ** বৰপেটা জিলাৰ চেংগা সমষ্টিৰ অন্তৰ্গত আগশাৰীৰ ক্লাৱ কাঁহিবাৰী নৱৰূপ ক্লাৱৰ উদ্যোগত এখন বিশেষ নৈশ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈ আছে। ৰাজ্যৰ কেইবাটাও দুৰ্দান্ত দলে অংশগ্ৰহণ কৰা বাপুকণ ট্ৰফী নৈশ ফুটবল প্ৰতিযোগিতাৰ খেলসমূহ চাবলৈ নিতৌ নিশা কাঁহিবাৰী মহামিলন হাইস্কুল খেলপথাৰ হাজাৰ হাজাৰ লোকেৰে ভৰি পৰে। হাত তালি, কোলাহলত শিহৰিত হৈ পৰে দৰ্শক। তাৰকা ফুটবলাৰৰ ভৰিৰ যাদু প্ৰত্যক্ষ কৰি দৰ্শক উত্তেজিত হৈ নিজ পচন্দৰ দলটোক



সমৰ্থন কৰা পৰিলক্ষিত হয়। ৰাজ্যৰ কেইবাটাও দলে অংশগ্ৰহণ কৰা নৈশ ফুটবল প্ৰতিযোগিতাখনৰ প্ৰথম ছেমি ফাইনেলখন কালি অনুষ্ঠিত হয়। ভেল্লা চিচি ৰমণ একাডেমী বনাম পটা মাজগাঁও এনজিঅ'ৰ মাজত অনুষ্ঠিত ছেমি ফাইনেল উদ্বোধন কৰে বিশিষ্ট সমাজকৰ্মী ছফি জামাল হুছেইনে। নিশা ছেমি ফাইনেল খেলখন উদ্বোধন কৰি জামালে সুধাকণ্ঠৰ 'এই পৃথিৱী এক ক্ৰীড়াংগন-ক্ৰীড়া হ'ল শান্তিৰ প্ৰাংগণ' শীৰ্ষক গানটোৰ প্ৰসংগ উল্লেখ কৰি ক্ৰীড়াই সমাজক ভাতৃত্ববোধ, সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰে বুলি উল্লেখ কৰিছে। আনহাতে দংৰা চুপাৰষ্টাৰ ক্লাৱে অনুষ্ঠিত কৰা ক্ৰিকেট প্ৰতিযোগিতাৰ বঁটা-বিতৰণী সভাতো অংশ লয় সমাজকৰ্মীগৰাকীয়ে।

# লছএঞ্জেলছত ‘গমনে’ আনিছে আশাৰ বতৰা



**ই-সংবাদ, ৭ ডিচেম্বৰঃ** চন্দ্ৰ মুদৈৰ পৰিচালনা আৰু যতীন্দ্ৰনাথ খনিকৰ আৰু বিপুল কলিতাৰ প্ৰযোজনাৰে নিৰ্মিত অসমীয়া চিনেমা গমন,দ্য লাষ্ট জাৰ্ণিয়ে এক আশাৰ বতৰা কঢ়িয়াইছে। লজ এঞ্জেলছত আয়োজিত 'চেভেন কন্টিনেণ্টেল এৱাৰ্ডছ' ইণ্টানেছনেল ফিল্ম ফেষ্টিভেলত শ্ৰেষ্ঠ চিনেমাৰ শিতানত আনুষ্ঠানিক প্ৰৱেশ লাভ কৰিছে। ইতিমধ্যেই অসমত মুক্তিৰ বাবে সাজু হৈ উঠা এই চিনেমাখনৰ এক বিশেষ দৰ্শনীৰ আয়োজন হৈ যায়। চলচ্চিত্ৰ সমালোচক তথা অন্য দৰ্শকে চিনেমাখন সন্দৰ্ভত ইতিবাচক সহাৰি প্ৰদৰ্শন কৰিছে। অহা ২০২৫ চনৰ ১৪ মাৰ্চত মুক্তি দিবলগীয়া চিনেমাখনত অভিনয় কৰিছে যতীন্দ্ৰনাথ খনিকৰ,দিব্যজ্যোতি দাস,অমৃতা গগৈ,আৰতি কলিতা,ছাজু আহমেদ,অমূল্য কুমাৰ আদিয়ে অভিনয় কৰিছে। সমাজৰ প্ৰচলিত পৰম্পৰা আৰু আধুনিক বিজ্ঞানৰ অৱদানৰ মাজত জীয়াই থকাৰ এক দণ্ড দেখুওৱা হৈছে চিনেমাখনত।

# মিৰ্জাৰ ৰিয়া দাসৰ বিশেষ সাফল্য



**ই-সংবাদ, মিৰ্জা, ৭ ডিচেম্বৰঃ** ৰয়েল গ্ল’বেল বিশ্ববিদ্যালয়ৰ এইবাৰৰ চতুৰ্থ দীক্ষান্ত সমাৰোহত মিৰ্জাৰ ৰিয়া দাসে উদ্ভিদ বিজ্ঞান বিভাগৰ স্নাতকোত্তৰ চুড়ান্ত পৰীক্ষাত ডিষ্টিংচনসহ প্ৰথম স্থান লাভ কৰি বিশ্ববিদ্যালয়খনৰ লগতে মিৰ্জা অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনে। ৰিয়া দাসৰ এই কৃতিত্বৰ বাবে বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ পৰা স্বৰ্ণপদক প্ৰদান কৰা হয়। মিৰ্জা নিবাসী কুশল কুমাৰ আৰু হীৰা দাসৰ কন্যা ৰিয়া দাসৰ এই সাফল্যত অঞ্চলটোৰ শৈক্ষিক মহলত এক আনন্দৰ জোৱাৰ উঠে। ৰিয়া দাসে দক্ষিণ কামৰূপ মহাবিদ্যালয়ত স্নাতক চূড়ান্ত পৰীক্ষাতো উদ্ভিদ বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছিল। ৰিয়াই প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে সাজু হ’ব বুলি জনাইছে।



## দ্বিতীয় ইনিংছতো বেটিং বিপৰ্যয়ৰ সন্মুখীন টীম ইণ্ডিয়া

# ট্ৰেভিছ হেডৰ শতকেৰে শক্তিশালী স্থিতিত অষ্ট্ৰেলিয়া

**এডিলেইড, ৭ ডিচেম্বৰঃ** এডিলেইড টেষ্টৰ দ্বিতীয় দিনা শেষৰ অভাৰত ভাৰতীয় বলাৰসকল উজলি উঠে যদিও বেটাৰসকলে হতাশ কৰে। ১৫৭ ৰানত পিছ পৰি থকা ভাৰতীয় দলটোৱে দ্বিতীয় ইনিংছত এতিয়াও ২৯ ৰানত পিছ পৰি আছে। ১৮০ ৰানত প্ৰথম ইনিংছ সামৰা ভাৰতে দ্বিতীয় ইনিংছত মাত্ৰ ১২৮ ৰানতে ৫টাকৈ গুৰুত্বপূৰ্ণ উইকেট হেৰুৱায়। ক্ৰিজত আছে ঋষভ পন্ত আৰু নীতিশ কুমাৰ ৰেড্ডী। পন্তে ২৮ আৰু ৰেড্ডীয়ে ১৫ ৰান কৰি অপৰাজিত হৈ আছে। অষ্ট্ৰেলিয়াৰ হৈ পেট কামিন্স আৰু বলান্ড প্ৰত্যেকে দুটাকৈ আৰু মিশ্বেল ষ্টাৰ্কে এটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই কালিৰ ৮৬ ৰানৰ পৰা খএল আৰম্ভ কৰি আজি নিজৰ প্ৰথম ইনিংছত ৩৩৭ ৰান স্ক’ৰ কৰে। দলটোৰ হৈ ট্ৰেভিছ হেডে ১৪০ ৰানৰ শতকীয় ইনিংছ খেলে। আনহাতে মাৰ্নাছ লাবুছানেই ৬৪ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাহে ৪টা, মহম্মদ ছিৰাজে ৪টা আৰু ৰেড্ডি, অশ্বিন প্ৰত্যেকে এটাকৈ উইকেট লাভ কৰে। এতিয়া ৰেড্ডি আৰু পন্তৰ ওপৰতে নিৰ্ভৰ কৰিব মেচখনত ভাৰতৰ প্ৰত্যাৱৰ্তন। যদিহে পন্ত আৰু ৰেড্ডিয়ে ভাল ৰান স্কৰ কৰে তেন্তে বলাৰসকলৰ পক্ষে সহজ হৈ পৰিব।

# ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবলৰ আজি ফাইনেল

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ৭ ডিচেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত কাইলৈ বিয়লি ১-৩০ বজাত অনুষ্ঠিত হ’বলগীয়া ৭৬ সংখ্যক সৰ্বভাৰতীয় আমন্ত্ৰণমূলক স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাৰ ফাইনেল খেলখনত নগাঁৱ দৰ্শকৰ প্ৰিয় ডিফেণ্ডিং চেম্পিয়ন দুলীয়াজানৰ অইল ইণ্ডিয়া এফ চিয়ে মণিপুৰৰ আচুফী ফুটবল একাডেমীৰ বিৰুদ্ধে খিতাপ লাভৰ যুঁজত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজি দ্বিতীয়খন ছেমিফাইনেলত আচুফী ফুটবল একাডেমীয়ে কোকৰাঝাৰৰ গোসাইগাঁৱৰ গ্ল’বেল এফ চিক চাডেন ডেথৰ সহায়ত ৪-৩ গ’লত পৰাজিত কৰে। আক্ৰমণ-প্ৰত্যাক্ৰমণৰে ভৰপূৰ তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখন নিৰ্ধাৰিত সময়ত গ’লশূণ্যভাৱে ড্ৰ’ হোৱাৰ পিছত টাইব্ৰেকাৰতো ৩-৩ গ’লত ড্ৰ’ হৈছিল। টাইব্ৰেকাৰ (পেনাল্টি শুট আউট) ত আচুফী ফুটবল একাডেমীৰ হৈ কৰউহান্‌বা লাইচৰাম, চৰ’মি আৰু কাইছী ফিমু গ’ল দিয়াত সফল হোৱাৰ বিপৰীতে গ্ল’বেল এফ চিৰহৈ হোঅ’ক্ৰাও ব্ৰহ্ম, অভিশীক সিংহ আৰু বিচ’ মুছাহাৰীয়ে গ’ললৈ লোৱা শ্বট কাৰ্যকৰী হয়। ইয়াৰ পিছত চাডেন ডেথত আচুফীৰ মাথান ৰমৰাৰে লোৱা শ্বট গ’ললৈ কাৰ্যকৰী হোৱাৰ বিপৰীতে গ্ল’বেল এফ চিৰ টিনজিং বৰগয়াৰীয়ে গ’ললৈ মৰা শ্বট অথলে যোৱাত মণিপুৰৰ আচুফী ফুটবল একাডেমী ৪-৩ গ’লত জয়েৰে ফাইনেলত উপনীত হয়। মনকৰিবলগীয়া যে, আজিৰ খেলখনত দুয়োটা দলৰ খেলুৱৈসকলে সংঘবদ্ধভাৱে খেলি বিপক্ষৰ ৰক্ষণবিভাগত উপৰ্যুপৰি হেঁচা প্ৰয়োগ কৰিছিল যদিও ফৰৱাৰ্ড লাইনৰ খেলুৱৈকেইজনৰ দুৰ্বলতাৰ বাবে গ’ল স্ক’ৰ কৰাত ব্যৰ্থ হয়। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী ৰূপম বৰদলৈক সহায় কৰে পবিত্ৰ বৰা, অপূৰ্ব বৰা আৰু কল্যাণ বৰুৱা ( চতুৰ্থ ) ই। ইপিনে, কাইলৈৰ ফাইনেল খেলখন যথেষ্ট উপভোগ্য হৈ উঠিব বুলি নগাঁৱ ক্ৰীড়াপ্ৰেমীয়ে আশা কৰিছে। সেয়ে খেলখন উপভোগ কৰিবলৈ আয়োজকসকলে ক্ৰীড়াপ্ৰেমীসকলক অনুৰোধ কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়ৱদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি